# বিজ্ঞান বাৰ্তা

## ASSAM SCIENCE SOCIETY


# BIGYAN BARTA

Vol-2 | Issue-4 | July – August-25 | a Bimonthly newsletter

2025




## কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি









Phone :+9160013-99315 e-mail: gsass2014@gmail.com

BIGYAN BARTA


# EDITORIAL BOARD

**Advisors :**
Sri Basanta Deka
Dr. Arup Kumar Misra
Dr. Amal Chandra Dutta
Dr. Jaideep Baruah
Sri Romen Gogoi
Sri Abhijit Sarma Boruah



**Chief Editor :**
Nirud Kumar Borah



**Editor :**
Pankaj Kumar Boruah



**Members:**
Sri Arup Kumar Dutta
Sri Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Sri Tridip Sarma
Sri Biman Handique



**Title page design & Graphics:** Nirud Kumar Borah



**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022


# TABLE OF CONTENTS


Editorial ........................................................01
Letters from Secy..............................................02
Observance of World Environment
Day by Head Quarter .......... ........................04
Science and Maths workshop
In summer vacation............................................05
Condolence........................................................34
Parthenium, life hazards ..................................39
New committee of Branch..................................38
Residential Nature Camp..................................39
Portrait of a GENIUS Hiranya
Chandra Bhuyan.................................................44
World Snake Day................................................45
Lifetime Achievement Award..........................46
Jatiya Bigyan Punji ..........................................47
Internship of students in Science society....47
Biennial General Meeting
of a Branch.........................................................49
Condolence ........................................................50
Meeting of the Information Technology
and Web-Portal Subcommittee..................52
3rd Executive Committee Meeting.......... 53
Online Meeting of the
Environment Subcommittee.......................55

# EDITORIAL BOARD

**Advisors :**
Sri Basanta Deka
Dr. Arup Kumar Misra
Dr. Amal Chandra Dutta
Dr. Jaideep Baruah
Sri Romen Gogoi
Sri Abhijit Sarma Boruah

**Chief Editor :**
Nirud Kumar Borah



**Editor :**
Pankaj Kumar Boruah



**Members:**
Sri Arup Kumar Dutta
Sri Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Sri Tridip Sarma
Sri Biman Handique

**Title page design & Graphics:** Nirud Kumar Borah



**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022


# TABLE OF CONTENTS


B J distribution .................................. 56
Condolence...................... ................57
69th Annual Technical Session ................58
Puzzle Workshop ....... ...............................62
Observation of National Space Day.........63
Condolence.............................................65
Diamond Jubilee Year( B.J.)
(2025-26) Celebration...............................66
Educational workshop..............................69
Sending branch letters/
constructive suggestions........................ 70
Rare photographs......................................71
Jatiya Bigyan Punji................................ 72

BIGYAN BARTA

২০২৪ চনৰপৰা প্ৰকাশিত

EDITORIAL

বিজ্ঞান বাৰ্তা

Vol-2-Issue 4::, July-August 2025, A Bimonthly news letter

বৰ্ষ ২ : ৪ৰ্থ সংখ্যা : জুলাই – আগষ্ঠ ২০২৫

# সম্পাদকীয়





## বিশ্বাস আৰু সংশয়ৰ দোমোজাত কৃত্ৰিম বুদ্ধিমত্তা :

চিকিৎসা বিজ্ঞানৰ পৰা আৰম্ভ কৰি শৈক্ষিক ব্যৱস্থা, উদ্যোগ, কৃষি, যোগাযোগ—কোনো ক্ষেত্ৰই কৃত্ৰিম বুদ্ধিমত্তাৰ স্পৰ্শৰ পৰা বাদ পৰা নাই। কিন্তু এই অভূতপূৰ্ব প্ৰগতিৰ লগে লগে আমাৰ মনত এক গভীৰ আৰু জটিল দ্বন্দ্বই ঠাই পাইছে : কৃত্ৰিম বুদ্ধিমত্তালৈ বিশ্বাস আৰু ইয়াৰ প্ৰতি থকা গভীৰ সংশয়।

কৃত্ৰিম বুদ্ধিমত্তালৈ বিশ্বাসৰ মূল কাৰণ হ'ল ইয়াৰ অপাৰ সম্ভাৱনা। চিকিৎসকসকলে এতিয়া AI-ৰ সহায়ত কেন্সাৰৰ আগধাৰণা কৰিব পাৰিছে, যাৰ ফলত ৰোগীৰ জীৱন ৰক্ষা পৰিছে। শৈক্ষিক ক্ষেত্ৰত ব্যক্তিগতকৃত শিকণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ দুৰ্বলতা বুজি তাৰ সমাধান আগবঢ়োৱাটো সম্ভৱ হৈছে। গাড়ীৰ অট'নমাছ টেকন'লজী, স্মাৰ্ট চিটিৰ দৰে ধাৰণাবোৰে আমাৰ জীৱনক অধিক সুগম আৰু সুৰক্ষিত কৰি তোলাৰ প্ৰতিশ্ৰুতি দাঙি ধৰিছে। ই সাধাৰণ মানুহৰ বাবে সেৱা সুলভ কৰি পেলোৱাৰ লগতে উদ্যোগসমূহক অধিক কাৰ্যক্ষম আৰু লাভজনক কৰি তুলিব পাৰে। এইবোৰ কাৰণৰ বাবেই আমাৰ মাজত AI-লৈ এক আশাৰ ডোলেৰে বন্ধোৱা বিশ্বাসে ঠাই পাইছে।

কিন্তু এই বিশ্বাসৰ সিপাৰে থকা সংশয়বোৰো সেইদৰে শক্তিশালী। কৃত্ৰিম বুদ্ধিমত্তাই মানৱীয় চাকৰিসমূহ হ্ৰাস কৰিব নেকি? এই এক বৃহৎ চিন্তাৰ বিষয়। অতিৰিক্ত ৰাজনৈতিক অভিলাষ, গোপনীয়তা হনন, বায়াছযুক্ত এলগৰিদমৰ দ্বাৰা সামাজিক বিভাজনৰ সৃষ্টি—এইবোৰ ভয়ে আমাক আগুৱাই যোৱাত বাধাৰ সৃষ্টি কৰিছে।

এনে এটা প্ৰযুক্তি আমি কেনেকৈ বিশ্বাস কৰিম যাৰ চিন্তা প্ৰক্ৰিয়া আমি সম্পূৰ্ণৰূপে বুজি নাপাওঁ? তথ্যৰ অপপ্ৰয়োগ, ডীপ ফেকৰ দৰে প্ৰযুক্তিৰ অপপ্ৰয়োগে আমাৰ সামাজিক আৰু ৰাজনৈতিক স্থিৰতা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে| এনে অৱস্থাত আমাৰ প্ৰয়োজন এক দায়িত্বশীল আৰু নৈতিক AI-ৰ বিকাশৰ।

এই ক্ষেত্ৰত চৰকাৰ, টেকন'লজী কোম্পানী, নীতি নিৰ্ধাৰক, আৰু সাধাৰণ নাগৰিক—সকলোৱে ভূমিকা পালন কৰিব লাগিব। AI-ৰ উন্নয়ন আৰু প্ৰয়োগ সম্পৰ্কীয় স্পষ্ট নীতি আৰু আইনী নিয়মাৱলী ৰচনা কৰাটো সময়ৰ এক অপৰিহাৰ্য দাবী। ইয়াৰ লগতে AI প্ৰণালীসমূহৰ স্বচ্ছতা বৃদ্ধি কৰাটো অতি প্ৰয়োজন, যাতে ই কেনেদৰে সিদ্ধান্ত লয় সেই বিষয়টো সকলোৱে বুজিব পাৰে।

### বিজ্ঞান বাৰ্তাত নতুন সংযোজনঃ

“শাখাৰ চিঠি” এই শিতানত গঠনমূলক পৰামৰ্শ প্ৰেৰণ কৰিব পৰিব শাখাৰ সম্পাদকৰ জৰিয়তে ("হেড কোৱাৰ্টাৰ"ৰ আজীৱন সদস্য সকলে প্ৰধান সচিবৰ জৰিয়তে) আৰু “আপুৰুগীয়া আলোক চিত্ৰ”- এই শিতানত পুৰণি অসম বিজ্ঞান সমিতিৰ সৈতে জৰিয়তে আলোক চিত্ৰ, (চমুকৈ কেপচন লাগিব) প্ৰেৰণ কৰিব পৰিব। সন্তুষজনক হ'লে প্ৰকাশ কৰা হব ।

নিৰোদ কুমাৰ বৰা
পংকজ কুমাৰ বৰুৱা



Published by : General Secretary, Assam Science Society, Khanapara, Jawahar Nagar, Guwahati 781022, Assam

স্থাপিত : ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীনত পঞ্জীভুক্ত

# অসম বিজ্ঞান সমিতি
# ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

নং-অবিস/স-প্রস/২০২৫-২৬/১৪৯ তাৰিখঃ ৩০-০৬-২০২৫

প্ৰতি,
সভাপতি/সম্পাদক
মৰিগাঁও শাখা, যোৰহাট শাখা, ধেমাজী শাখা, পিচলা শাখা, ডিব্ৰুগড় শাখা, পাটাছাৰকুছি শাখা, ডুমডুমা শাখা, শদিয়া শাখা, নগাঁও শাখা, ছিপাঝাৰ শাখা, পূব-কামৰূপ শাখা, টুমপ্ৰেং শাখা, মদ্যচয়নুৱাৰ শাখা, কৰিমগঞ্জ শাখা, হাইলাকান্দি শাখা, কোকৰাঝাৰ শাখা, বৰভাগ শাখা, ডিমৌ শাখা, বৰচলা শাখা, দেৰগাঁও শাখা।

বিষয়ঃ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গ্ৰীষ্মকালীন গণিত আৰু বিজ্ঞান বিষয়ক কৰ্মশালা আয়োজন সম্পৰ্কত সম্পৰ্কত।

মহাশয়/মহাশয়া,

সন্মানপূৰ্বক আপোনাক জনাওঁ যে, যোৱা ২৫ জুন, ২০২৫ তাৰিখে কাৰ্যালয়ত হোৱা আলোচনা মৰ্মে অসম বিজ্ঞান সমিতিয়ে নিজা পুঁজিৰে সমিতিৰ ২০ টা শাখাৰ জৰিয়তে অসমৰ ২০ খন জিলাত ৩ দিনীয়া কাৰ্যসূচীৰে নৱম আৰু দশমমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ গণিত আৰু বিজ্ঞান বিষয়ত ধাউতি বঢ়োৱাৰ বাবে গ্ৰীষ্মকালীন গণিত আৰু বিজ্ঞান বিষয়ক কৰ্মশালা আয়োজন কৰিবৰ দিহা কৰা হৈছে। উল্লেখ যে, এই দিশত প্ৰয়োজন হোৱা নূন্যতম আৰ্থিক সাহাৰ্য্য (৫০০০ টকা) সমিতিয়ে বহন কৰিব। আপোনালোকৰ শাখাৰ বেংক একাউন্টৰ সম্পূৰ্ণ তথ্য সমিতিৰ হোৱাটচ এপ নম্বৰত দিবলৈ অনুৰোধ জনোৱা হ'ল। কাৰ্যসূচীৰ বাবে প্ৰয়োজন হোৱা বেনাৰৰ আৰ্হিখন পত্ৰৰ সৈতে গাঠি দিয়া হৈছে।

সেয়েহে এই দিশত কৰ্মশালাখন সফলতাৰে আয়োজন কৰিব বুলি কামনা কৰিলোঁ।

শ্ৰদ্ধাৰে,
ইতি

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব
অসম বিজ্ঞান সমিতি

Recipient of NCSTC'S National Award 1990 for popularisation of Science

স্থাপিত : ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীনত পঞ্জীভুক্ত

# অসম বিজ্ঞান সমিতি
# ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

অসম বিজ্ঞান সমিতি

**নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গণিত আৰু বিজ্ঞান বিষয়ৰ গ্ৰীষ্মকালীন কৰ্মশালা**

**প্ৰয়োজনীয় নীতি-নিৰ্দেশনা**

১। উক্ত কৰ্মশালাখন অতিকমেও ৩ দিনীয়া কাৰ্যসূচীৰে ৰূপায়ন কৰিব।

২। কাৰ্যসূচী আয়োজনৰ বাবে সমিতিৰ তৰফৰ পৰা প্ৰতিটো শাখালৈ ৫০০০ টকাকৈ আৰ্থিক সাহাৰ্য্য আগবঢ়াব। ইয়াতকৈ অতিৰিক্ত হোৱা খৰচ শাখাই নিজৰ পৰা বহন কৰিব লাগিব। শাখাসমূহক আৰ্থিক সাহাৰ্য্য আগবঢ়াবৰ বাবে শাখাৰ বেংকৰ সম্পূৰ্ণ তথ্য শীঘ্ৰেই সমিতিৰ ফোন নম্বৰত হোৱাটচ আপ যোগে পঠাব।

৩। কৰ্মশালাৰ সমাপনৰ প্ৰতিবেদন (ফটোগ্ৰাফ, খবৰ কাগজৰ টোকা আদি)ৰ সৈতে খৰচৰ হিচাপ (UC) কৰ্মশালা অন্ত হোৱা ১০ দিনৰ ভিতৰত সমিতিৰ কাৰ্যালয়ত জমা দিব।

৪। কৰ্মশালাত নৱম আৰু দশম শ্ৰেণীৰ গণিত আৰু বিজ্ঞান বিষয়ক হে সাঙুৰি লব।

৫। কৰ্মশালাত সমিতিৰ তৰফৰ পৰা আগবঢ়োৱা আৰ্হিৰ বেনাৰ ব্যৱহাৰ কৰাটো বাধ্যতামূলক।

৬। কৰ্মশালাত প্লাষ্টিকৰ ব্যৱহাৰৰ পৰা বিৰত থাকিব।

**বি.দ্ৰ.**- কৰ্মশালা সম্পৰ্কত প্ৰয়োজনীত তথ্যৰ বিষয়ে জানিবলৈ যোগাযোগ কৰক-

১। শ্ৰী মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব, অসম বিজ্ঞান সমিতি
ফোন নং- 9435223171

২। ড০ ভাগৱত প্ৰাণ দুৱৰা
কাৰ্যকৰী সভাপতি
ফোন নং- 9864324036

**গুৱাহাটী, ৬ জুনঃ**

**জ্ঞান বিজ্ঞান সমিতি, অসমৰ গুৱাহাটী মহানগৰ সমিতিৰ উদ্যোগত আৰু অসম বিজ্ঞান সমিতি** ৰ সহযোগত ৫-জুনত মহানগৰীৰ বামুণীমৈদামস্থিত জ্ঞানজ্যোতি জাতীয় বিদ্যালয় প্ৰাংগনত বিশ্ব পৰিৱেশ দিৱস উদ্যাপন কৰা হয়। আনহাতে দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ অধ্যয়নৰত ছাত্ৰ ছাত্ৰীৰ মাজত 'নিজৰ ভাল লগা প্ৰাকৃতিক পৰিৱেশ' আৰু ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ মাজত 'প্লাষ্টিক প্ৰদূষণ' শীৰ্ষক এখন চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা ইন্দিৰা বৰদলৈ, জ্ঞান বিজ্ঞান সমিতি, অসমৰ সচিব সুসনাতা ইন্দিৰা বৰদলৈ, জ্ঞান বিজ্ঞান সমিতি, অসমৰ সচিব সুসনাতা গোস্বামী, 'প্ৰচেষ্টা'ৰ সঞ্চালক ৰঞ্জিত শৰ্মা, প্ৰাক্তন শিক্ষয়িত্ৰী ৰুণা বৰুৱা। ইফালে বিদ্যালয়ৰ অধ্যক্ষা জলী ডেকাই আঁত ধৰা অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তিসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ লগত গছপুলি ৰোপণ কৰা হয়।












# অসম বিজ্ঞান সমিতিৰ উদ্যোগত গণিত আৰু বিজ্ঞানবিষয়ক দুদিনীয়া কৰ্মশালা



# অসম বিজ্ঞান সমিতিৰ উদ্যোগত গণিত আৰু বিজ্ঞানবিষয়ক দুদিনীয়া কৰ্মশালা



**বেলতলা মহাবিদ্যালয়ত শৈক্ষিক কৰ্মশালা :** *বহু বছৰৰ পিছত গুৱাহাটীৰ স্কুলীয়া ছাত্ৰ ছাত্ৰীৰ মাজত অসম বিজ্ঞান সমিতিৰ বিজ্ঞান আৰু গণিতৰ কৰ্মশালা অনুষ্ঠিত হয় লগতে বিজ্ঞান জেউতি বিতৰণ কৰাও হয়।*

৩ জুলাইঃ আজিৰে পৰা গুৱাহাটীৰ বেলতলা মহাবিদ্যালয় চৌহদত অসম বিজ্ঞান সমিতিৰ উদ্যোগত বেলতলা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত নিশ্চয়তা কোষৰ সহযোগত গণিত আৰু বিজ্ঞানবিষয়ক দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হয়। বৈজ্ঞানিক ধাৰণা আৰু সমস্যা সমাধানৰ দক্ষতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ বুজাবুজি বৃদ্ধি কৰাৰ লগতে বৈজ্ঞানিক কেৰিয়াৰৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। উদ্বোধনী অধিৱেশনৰ আৰম্ভণিতে বেলতলা মহাবিদ্যালয়ৰ শাসক মণ্ডলীৰ সভাপতি ড° ভাগৱত প্ৰাণ দুৱৰাই আদৰণি ভাষণ প্ৰদান কৰে। বেলতলা কলেজৰ অধ্যক্ষ ড' অজিত বৰকটকীয়ে দৈনন্দিন জীৱনত বিজ্ঞানৰ ভূমিকা সম্পৰ্কে এক অন্তৰ্দৃষ্টিসম্পন্ন ভাষণ প্ৰদান কৰে।

কৰ্মশালাৰ প্ৰথম দিনটোত অসম বিজ্ঞান সমিতিৰ প্ৰধান সচিব মৃণাল কুমাৰ হাজৰিকাই মূল সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। আন এজন বিশেষজ্ঞ সমল ব্যক্তি লক্ষ্যজ্যোতি শইকীয়াই বিজ্ঞান আৰু গণিত উভয়ৰে ছাত্ৰ-ছাত্ৰীৰ বুজাবুজি গভীৰ কৰাৰ বাবে ব্যৱহাৰিক কৌশল বিনিময় কৰে। কাৰ্যসূচী পৰিচালনা কৰে বেলতলা মহাবিদ্যালয়ৰ আই.কিউ.এ.চি. সমন্বয়ক হিমাংশু দাসে। কলেজৰ অধ্যাপক আৰু কাৰ্যালয়ৰ কৰ্মচাৰীৰ সৈতে ওচৰৰ বিদ্যালয়সমূহৰ (নৱম আৰু দশম শ্ৰেণী) প্ৰায় ৭০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই অনুষ্ঠানত উৎসাহেৰে অংশগ্ৰহণ কৰে।



গৌৰৱোজ্জ্বল যাত্ৰাৰ একত্ৰিংশ বৰ্ষ

দৈনিক গণ অধিকাৰ

## বেলতলা মহাবিদ্যালয়ত গণিত আৰু বিজ্ঞান বিষয়ক কৰ্মশালা

গুৱাহাটী, ৩ জুলাই ঃ আজিৰে পৰা গুৱাহাটীৰ বেলতলা মহাবিদ্যালয় চৌহদত অসম বিজ্ঞান সমিতিৰ উদ্যোগত বেলতলা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত নিশ্চয়তা কোষ (Internal Quality Assurance Cell [IQAC])ৰ সহযোগত গণিত আৰু বিজ্ঞানবিষয়ক দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হয়। বৈজ্ঞানিক ধাৰণা আৰু সমস্যা সমাধানৰ দক্ষতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ বুজাবুজি বৃদ্ধি কৰাৰ লগতে বৈজ্ঞানিক কেৰিয়াৰৰ প্ৰতি আগ্ৰহ বৃদ্ধিৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। উদ্বোধনী অধিৱেশনৰ আৰম্ভণিতে বেলতলা মহাবিদ্যালয়ৰ শাসক মণ্ডলীৰ সভাপতি তথা অসম বিজ্ঞান সমিতিৰ কাৰ্যকৰী সভাপতি ড° ভাগৱত প্ৰাণ দুৱৰাই আদৰণী ভাষণ প্ৰদান কৰে। ড° দুৱৰাই তেওঁৰ ভাষণত আজিৰ দ্ৰুত পৰিৱৰ্তিত পৃথিৱীখনত বিজ্ঞানৰ ক্ৰমবৰ্ধমান প্ৰাসংগিকতাক আলোকপাত কৰি ছাত্ৰ-ছাত্ৰীসকলক বৈজ্ঞানিক শিক্ষাক উদ্ভাৱন আৰু প্ৰগতিৰ পথ হিচাপে আঁকোৱালি ল'বলৈ উৎসাহিত কৰে। বেলতলা কলেজৰ অধ্যক্ষ ড° অজিত বৰকটকীয়ে দৈনন্দিন জীৱনত বিজ্ঞানৰ ভূমিকা সম্পৰ্কে এক অন্তৰ্দৃষ্টিসম্পন্ন ভাষণ প্ৰদান কৰে। কৰ্মশালাৰ প্ৰথম দিনটোত অসম বিজ্ঞান সমিতিৰ প্ৰধান সচিব মৃণাল কুমাৰ হাজৰিকাই মূল সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। তেওঁৰ অধিৱেশনত গাণিতিক সমস্যা সমাধানৰ বাবে সহজ আৰু ফলপ্ৰসূ পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল, যিয়ে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক মোহিত কৰিছিল। আন এজন বিশেষজ্ঞ সমল ব্যক্তি লক্ষী জ্যোতি শইকীয়াই বিজ্ঞান আৰু গণিত উভয়ৰে ছাত্ৰ-ছাত্ৰীৰ বুজাবুজি গভীৰ কৰাৰ বাবে ব্যৱহাৰিক কৌশল বিনিময় কৰে। এই কাৰ্যসূচী পৰিচালনা কৰে বেলতলা মহাবিদ্যালয়ৰ আইকিউএচি সমন্বয়ক হিমাংশু দাসে।

**বেলতলা মহাবিদ্যালয়ত শৈক্ষিক কৰ্মশালা :** বহু বছৰৰ পিছত গুৱাহাটীৰ স্কুলীয়া ছাত্ৰ ছাত্ৰীৰ মাজত অসম বিজ্ঞান সমিতিৰ বিজ্ঞান আৰু গণিতৰ কৰ্মশালা অনুষ্ঠিত হয় লগতে বিজ্ঞান জেউতি বিতৰণ কৰাও হয়।




কৰ্মশালাৰ দ্বিতীয় দিনটোত অসম বিজ্ঞান সমিতিৰ যুতীয়া সচিব নিৰোদ কুমাৰ বৰাই মূল সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি হাতে কামে বিজ্ঞানৰ বিষয়ে ছাত্ৰ ছাত্ৰীক শিক্ষা প্ৰদান কৰে । আন এজন সমল ব্যক্তি ড ইমদাদ আলিয়ে গণিত বিষয়ত বিভিন্ন কৌশল ছাত্ৰ ছাত্ৰীৰ মাজত বিনিময় কৰে। শেষত ছাত্ৰ ছাত্ৰীসকলক বিজ্ঞান জেউতি আলোচনীখন বিতৰণ কৰা হয় । তৃতীয় দিনাও প্ৰায় সত্তৰগৰাকী ছাত্ৰছাত্ৰীয়েউৎসাহেৰে অংশগ্ৰহণ কৰে।










ডিব্ৰুগড় শাখাঃ অসম বিজ্ঞান সমিতিৰ উদ্যোগত আৰু ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সহযোগত ডিব্ৰুগড় বিজ্ঞান শাখাই নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক তিনিদিনীয়া গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত কৰে। মুঠ ১৯০ জন ছাত্ৰ-ছাত্ৰীয়ে এই কৰ্মশালাত অংশগ্ৰহণ কৰে আৰু চাৰিজন সমল ব্যক্তিয়ে এই কৰ্মশালাত অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰী সকলে এই কৰ্মশালাত অংশগ্ৰহণ কৰি উপকৃত হৈছে বুলি উল্লেখ কৰে। অসম বিজ্ঞান সমিতি আৰু সমল ব্যক্তি সকলক আমাৰ ডিব্ৰুগড় শাখাৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ। ছাত্ৰ-ছাত্ৰীৰ উপকাৰ হোৱা এনে কাৰ্যৰ বাবে আমি আৰু অপেক্ষাত আছো। অসম বিজ্ঞান সমিতিৰ সভাপতি, সম্পাদকক এনে তৎপৰতাৰ বাবে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।






## ডিব্ৰুগড় বিজ্ঞান সমিতিৰ গ্ৰীষ্মকালীন কৰ্মশালা সম্পন্ন



**ষ্টাফ ৰিপ'টাৰ, ডিব্ৰুগড়, ৩ জুলাইঃ** অসম বিজ্ঞান সমিতিৰ উদ্যোগত আৰু ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সহযোগত স্থানীয় মানকটা হাইস্কুল আৰু নিৰ্মালি উচ্চমাধ্যমিক বালিকা বিদ্যালয়ত গণিত আৰু বিজ্ঞান বিষয়ৰ তিনিদিনীয়া এক কৰ্মশালা অনুষ্ঠিত হৈ যায়। ১,২ আৰু ৩ জুলাইত অনুষ্ঠিত হোৱা কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামী, গণিত বিষয়ৰ অৱসৰী শিক্ষক অজিত শৰ্মা,বিজ্ঞান বিষয়ৰ শিক্ষকদ্বয় ক্ৰমে মৰাণ অইল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱজ্যোতি বৰকাকতি আৰু ডিব্ৰুগড়ৰ নিৰঞ্জন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অংকুমণি বৰদলৈয়ে। নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আয়োজিত কৰ্মশালাৰ আঁঞ্জত ধৰে ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সম্পাদক নাছিৰ চুলতানে। সমিতিৰ সভাপতি ড০ ভাৰতী দত্তই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায় আৰু স্বৰচিত দুখনকৈ গ্ৰন্থ সমল ব্যক্তিসকলক প্ৰদান কৰে। কৰ্মশালাত ডিব্ৰুগড় বিজ্ঞান সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সুদক্ষিণা দাস, উপসভাপতি ড০ ৰণজিৎ সিংহ আদি বিষয়ববীয়া উপস্থিত থাকি সহযোগিতা আগবঢ়ায়। দৈনন্দিন জীৱনৰ সৈতে বিজ্ঞানৰ সম্পৰ্ক ছাত্ৰ-ছাত্ৰীসকলক বুজাবলৈ যত্ন কৰা হয়। গণিত বিষয়টো ছাত্ৰ-ছাত্ৰীসকলে যাতে কঠিন বিষয় বুলি নাভাবে সেইউদ্দেশ্যে ইয়াক সহজভাৱে বুজাই দিয়া হয়। প্ৰশ্নোত্তৰৰ জৰিয়তে বিষয় দুটা শিকোৱাত গুৰুত্ব প্ৰদান কৰা হয়। দুয়োখন বিদ্যালয়ৰ কৰ্তৃপক্ষ তথা শিক্ষক- শিক্ষয়িত্ৰী সকলৰ পৰা পোৱা সহায়-সহযোগিতাৰ বাবে সমিতিয়ে তেওঁলোকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

মধ্য ছয়দুৱাৰ শাখাঃ অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাই ৭, ৮ আৰু ৯ জুলাই ২০২৫ তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ মাজত গণিত আৰু বিজ্ঞান বিষয়ৰ কৰ্মশালাৰ আয়োজন কৰে । উক্ত অনুষ্ঠানৰ কাৰ্যসূচী আজি বিশ্বনাথ জিলাৰ গহপুৰ সম জিলাৰঅন্তৰ্গত বৰঙাবাৰীস্থিত কনকলতা আদৰ্শ ছোৱালী হাইস্কুলত আৰম্ভ কৰা হয় ।
















নৱম-দশম শ্ৰেণীৰ শতাধিক শিক্ষাৰ্থীৰ অংশগ্ৰহণ

গহপুৰত অসম বিজ্ঞান সমিতিৰ বিজ্ঞান-গণিত বিষয়ৰ কৰ্মশালা




By Dr. D Guha






By Dr. D Guha


REDMI NOTE 7S
M+M CAMERA
2025/7/8 14:21





ডুমডুমা শাখাঃ অসম বিজ্ঞান সমিতি, ডুমডুমা শাখাই ৫ জুলাই পৰা ৭ জুলাই তাৰিখলৈ আয়োজন কৰা তিনিদিনীয়া গ্ৰীষ্মকালীন গণিত আৰু বিজ্ঞান বিষয়ৰ তালাপ বালিবজাৰ হাইস্কুলত অনুষ্ঠিত কৰা দ্বিতীয়খন কৰ্মশালাৰ আজি ৫ জুলাই, শনিবাৰে অনুষ্ঠিত কাৰ্য্যসূচীৰ দৃশ্য। দুয়োখন কৰ্মশালাত পেঙ্গেৰী হাইস্কুলৰ কল্পজ্যোতি বৰা সহ দুজন সহযোগী, বৰহাপজান হাইস্কুলৰ সুব্ৰত চক্ৰৱৰ্তী আৰু ডুমডুমা ল'টাচ একাডেমীৰ শুভাশীষ মল্লিকে সমল ব্যক্তি হিচাবে ছাত্ৰ -ছাত্ৰীসকলক প্ৰশিক্ষণ দিয়ে।






















কপিলি ভেলী শাখাঃ অসম বিজ্ঞান সমিতি,কপিলি ভেলী শাখাৰ গ্ৰীষ্মকালীন কৰ্মশালা কিছু আলোকচিত্ৰ।

























অসমীয়া প্ৰতিদিন

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ সোমবাৰ, ৭ জুলাই, ২০২৫/২২ আহাৰ, ১৯৪৭ শক

## পিছলা শাখা বিজ্ঞান সমিতি
# গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি

প্ৰতিদিন সেৱা, নাৰায়ণপুৰ, ৬ জুলাই ঃ পিছলা শাখা বিজ্ঞান সমিতিৰ উদ্যোগত নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যোৱা ৩ জুলাইৰ পৰা তিনিদিনীয়াকৈ বিজ্ঞান আৰু গণিত বিষয়ৰ ওপৰত ধাউতি বঢ়োৱাৰ বাবে আয়োজন কৰা গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি পৰে। মাধৱদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৰ্মশালা উদ্বোধন কৰে পিছলা বিজ্ঞান শাখা সমিতিৰ সভাপতি ড° লক্ষীৰাম ভূএগাই। শাখাৰ সম্পাদক প্ৰদীপ নেওগে অসম বিজ্ঞান সমিতিৰ লক্ষ্য আৰু উদ্দেশ্য সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। তিনিওদিনৰ কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে বিজ্ঞান শিক্ষক গৌৰীপ্ৰসন্ন ভৰালী, দীপাংকৰ দত্ত আৰু বিৰিঞ্চি কুমাৰ বৰুৱাই। পাৰদৰ্শী ব্যক্তিসকলে কৰ্মশালাত ধেমালিৰ ছলেৰে বিজ্ঞান আৰু গণিত শিকাৰ অভিনৱ কৌশল প্ৰদানেৰে শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। অঞ্চলটোৰ মুঠ ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে

অসম বিজ্ঞান সমিতিৰ বৰছলা শাখাৰ উদ্যোগত ৩, ৪ আৰু ৫ জুলাইত বৰছলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নবম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান আৰু গণিত বিষয়ক কৰ্মশালাৰ আয়োজন কৰে। বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰা এই কৰ্মশালাত বিজ্ঞান সমিতিৰ বৰছলা শাখাৰ সম্পাদক কৃষ্ণ আচাৰ্যই তিনিদিনীয়া গণিত-বিজ্ঞানগণিত আৰু সভাপতি হলিৰাম নাথে বিজ্ঞান বিষয়ৰ শিক্ষাদান কৰে। গণিত বিষয়ত বৰ্তমান সময়ত পৰীক্ষাত অহা MCQৰ দৰে প্ৰশ্নবোৰৰ উত্তৰ সহজতে উলিয়াব পৰা কেতবোৰ কৌশল সম্পৰ্কে বিদ্যাৰ্থীক শিকোৱাৰ লগতে কিছুমান বিষয়ৰ পাঠভিত্তিক আলোচনা আগবঢ়োৱা হয়। একেদৰে বিজ্ঞান বিষয়তো ছাত্ৰ-ছাত্ৰীসকল সহজতে উপকৃত হ'ব পৰাকৈ কেতবোৰ উপায় অৱগত কৰা হয়। সিফালে কৰ্মশালাৰ অন্তিম দিনটোৰ সামৰণী অনুষ্ঠানত শিক্ষাৰ্থীসকলক অসম বিজ্ঞান সমিতিৰ বৰছলা শাখাৰ তৰফৰ পৰা প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। এই অনুষ্টুপীয়া সামৰণী অনুষ্ঠানটিত বৰছলা বিজ্ঞান সমিতিৰ কৰ্মকৰ্তাসকলৰ লগতে বৰছলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মন্টু ডেকা আৰু বিদ্যালয়-পৰিচালনা সমিতিৰ সভাপতি লিপিকা নাথ উপস্থিত থাকি বক্তব্য প্ৰদান কৰি বিজ্ঞান সমিতিৰ বৰছলা শাখাই ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ এই সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰা বাবে শলাগ লয়।















অসম বিজ্ঞান সমিতি

গ্ৰীষ্মকালীন গণিত আৰু বিজ্ঞান বিষয়ক

# কৰ্মশালা

নৱম আৰু দশম শ্ৰেণীৰ বাবে

আয়োজক

## অসম বিজ্ঞান সমিতি, টুম্প্ৰেং শাখা

স্থান ঃ টুম্প্ৰেং উচ্চতৰ মাধ্যমিক বিদ্যালয়

তাৰিখ ঃ ৩ - ৫ জুলাই, ২০২৫



ধেমাজি শাখাঃ অসম বিজ্ঞান সমিতি, ধেমাজি শাখাৰ গ্ৰীষ্মকালীন কৰ্মশালা ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২, ৩ আৰু ৪ জুলাই ২০২৫ ত অনুষ্ঠিত হয়।














# অসম বিজ্ঞান সমিতিৰ পূব কামৰূপ শাখাৰ তিনি দিনীয়া গনিত আৰু বিজ্ঞান কৰ্মশালাৰ সামৰণি







গণ সংবাদ, কমলপুৰ, ৮ জুলাই ঃ অসম বিজ্ঞান সমিতি; পূব কামৰূপ শাখাৰ উদ্যোগত কামৰূপ বিদ্যাপীঠ হাইস্কুলত "গণিত আৰু বিজ্ঞান বিষয়ক" এক তিনিদিনীয়া কৰ্মশালা অনুষ্ঠিত কৰা হয়। উদ্বোধনী অধিৱেশনৰ আৰম্ভণিতে পূব কামৰূপ মহাবিদ্যালয়ৰ অধঞ্জ্যাপক তথা অসম বিজ্ঞান সমিতি,পূব কামৰূপ শাখাৰ সভাপতি আয়েজ আলীয়ে আদৰণি ভাষণ প্ৰদান কৰাৰ লগতে কৰ্মশালা খনৰ লক্ষ্য উদ্দেশ্য ব্যাখ্যা কৰে। কৰ্মশালাৰ প্ৰথম দিনটোত মূল সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে পূব কামৰূপ মহাবিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপিকা ক্ৰমে ৰীনা ডেকা আৰু ড° কল্পনা মিশ্ৰ। তেওঁলোকে ছাত্ৰ-ছাত্ৰীক গাণিতিক সমস্যা সমাধানৰ বাবে সহজ আৰু ফলপ্ৰসূ পদ্ধতিৰ ওপৰত পাঠ প্ৰদান কৰে। দ্বিতীয় দিনা শিক্ষক ৰেখাৰানী শৰ্মা,চন্দনা ডেকা,দীপজ্যোতি ৰাজবংশী, চাহিল মঃ চাবিৰিনে ছাত্ৰ-ছাত্ৰী সকলক বিজ্ঞান আৰু গনিতৰ মনোগ্ৰাহী পাঠদান প্ৰদান কৰে। কৰ্মশালা খনিত অসম বিজ্ঞান সমিতিৰ, পূব কামৰূপ শাখাৰ সচিব আলটাফ হুচেইন খণ্ডকৰে ছাত্ৰ-ছাত্ৰীৰ মাজত অতিকৈ আকৰ্ষণীয় অনুষ্ঠান "যাদুৰ আঁৰৰ বিজ্ঞান"প্ৰদৰ্শন কৰে। তৃতীয় তথা অন্তিম দিনাৰ সামৰণি হিচাপে পূব কামৰূপ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° নিৰ্মল ৰঞ্জন মজুমদাৰে উপস্থিত থাকি ছাত্ৰ ছাত্ৰীক বহুমূলীয়া ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হেমেন নাথৰ লগতে অভিভাৱক মণ্ডলীয়ে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অংশগ্ৰহণ কাৰী নৱম আৰু দশম শ্ৰেণীৰ প্ৰায় অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰী কৰ্মশালাখনিৰ পৰা লাভ কৰা জ্ঞান আৰু অভিজ্ঞতা শীৰ্ষক বক্তৃতা প্ৰদান কৰে।










# বৰপলহাত তিনিদিনীয়া গণিত আৰু বিজ্ঞান কৰ্মশালাৰ সামৰণি

**নিজা বাতৰি দিওঁতা**

**বাইহাটা চাৰিআলি, ৭ জুলাই** ঃ অসম বিজ্ঞান সমিতি, পূব কামৰূপ শাখাৰ উদ্যোগত আৰু বাইহাটা চাৰিআলিৰ নিকটৱৰ্তী বৰপলহাৰ কামৰূপ বিদ্যাপীঠ হাইস্কুলত গণিত আৰু বিজ্ঞান বিষয়ক তিনিদিনীয়া কৰ্মশালা অনুষ্ঠিত কৰা হয়। আজি এই কৰ্মশালাৰ সামৰণি পৰে। কৰ্মশালাৰ প্ৰথম দিনটোত মূল সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে পূব কামৰূপ মহাবিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপিকা ক্ৰমে বীণা ডেকা আৰু ডঃ কল্পনা মিশ্ৰ। তেওঁলোকে ছাত্ৰ-ছাত্ৰীক গাণিতিক সমস্যা সমাধানৰ বাবে সহজ আৰু ফলপ্ৰসূ পদ্ধতিৰ বিষয়ে পাঠদান কৰে। দ্বিতীয় দিনা শিক্ষক ৰেখাৰাণী শৰ্মা, চন্দনা ডেকা, দীপজ্যোতি ৰাজবংশী, চাহিল মঃ ছাবিৰিণে ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান আৰু গণিতৰ মনোগ্ৰাহী পাঠদান কৰে। কৰ্মশালাখনিত অসম বিজ্ঞান সমিতিৰ, পূব কামৰূপ শাখাৰ সচিব আলতাফ হুছেইন খন্দকৰে ছাত্ৰ-ছাত্ৰীৰ মাজত 'যাদুৰ আঁৰৰ বিজ্ঞান' প্ৰদৰ্শন কৰে। তৃতীয় তথা অন্তিম দিনৰ সামৰণি হিচাপে পূব কামৰূপ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ডঃ নিৰ্মল ৰঞ্জন মজুমদাৰে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক বহুমূলীয়া ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হেমেন নাথৰ লগতে বহুসংখ্যক অভিভাৱক উপস্থিত থাকে।











সাহিত্য

# ছিপাঝাৰত অসম বিজ্ঞান সমিতিৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ সামৰণি









অসম বিজ্ঞান সমিতিৰ ডিমৌ শাখাৰ উদ্যোগ

# আঠাবাৰীত গণিত বিজ্ঞান বিষয়ত তিনিদিনীয়া পাঠদান




অসম বিজ্ঞান সমিতিৰ ডিমৌ শাখাৰ উদ্যোগত ডিমৌৰ আঠাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ৩ ৰ পৰা ৫ জুলাইলৈ বিজ্ঞান আৰু গণিত। বিষয়ত এক পাঠদান কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। অসম বিজ্ঞান সমিতিৰ যুটীয়া। সচিব অৰূপ কুমাৰ দত্ত ই আনুষ্ঠানিকভাৱেউদ্বোধন কৰা উক্ত গ্ৰীষ্মকালীন পাঠদান কাৰ্যসূচীত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে ডিমৌ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা হামিদা বেগমে। তিনিদিনীয়া পাঠদান কাৰ্যসূচীত সমল ব্যক্তি হিচাপে শিক্ষক পুষ্পপ্ৰাদ গগৈ, ৰাহুল মণ্ডল আৰু দেবব্ৰত দে'ই নৱম আৰু দশম শ্ৰেণীৰছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান আৰু গণিত বিষয়ত পাঠদান কৰে। ইফালে পাঠদান কাৰ্যসূচীৰ অন্তিম দিনা অসম বিজ্ঞান সমিতি ডিমৌ শাখাৰ সম্পাদক ড° প্ৰাঞ্জল বেজবৰুৱাই আঁত ধৰা আৰু অৰূপ কুমাৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিতসামৰণী অনুষ্ঠানত আঠাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বসন্ত দিহিঙীয়া, সহকাৰী শিক্ষক বসন্ত দিহিঙীয়া, কাৰ্যালয় সহায়ক দিগন্ত বৰগোহাঁই, বিজ্ঞান সমিতি ডিমৌ শাখাৰ সভাপতি যাদৱ চাংমাই আদি উপস্থিত থাকে












ডিমৌ শাখাঃ নিতাই বামৰজাবাৰি উচ্চ মাধ্যমিক বিদ্যালয়ত ১৫, ১৬ আৰু ১৭ জুলাই ২০২৫ ত তিনিদিনৰ বাবে বিজ্ঞান আৰু গণিত বিষয়ত অনুষ্ঠিত হোৱা কৰ্মশালাৰ আজিৰ সামৰনি অনুষ্ঠানত সমল শিক্ষক হিচাপে অসম বিজ্ঞান সমিতি ডিমৌ শাখাই আমন্ত্ৰণ কৰি অনা ক্ৰমে Dr Nobojyoti Borah (Sibasagr University), Mr Dbojyoti Boruah (DPS Numaligarh), Mr Rahul Mandal (Science Academy, Demow) আৰু Mr Debo Dehingia (Dhamechi H.S. Dibrugarh)ক একোখন কৈ ফুলাম গামোচা, মানপত্ৰৰে সন্মান জনোৱা হয়। বিদ্যালয়ৰ তৰফৰ পৰাও চাৰিও গৰাকী সমল শিক্ষকক গামোচা আৰু কিতাপৰ টোপোলাৰে সন্মান জনাই বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীযুত ক্ষীৰোদ দেউৰীয়ে। পৰীক্ষাৰ্থী ছাত্ৰ-ছাত্ৰীৰ ফালৰপৰা তেওঁলোকৰ অনুভৱত জনাই বহু ধনাত্মক দিশ। অসম বিজ্ঞান সমিতিৰ যুটীয়া সচিব অৰুপ কুমাৰ দত্তৰ উপস্থিতিত শাখাৰ সভাপতি যাদৱ চাংমাইয়ে পৰিচালনা কৰা সভাত আত ধৰে সম্পাদক ড়ঃ প্ৰাঞ্জল বেজবৰুৱাই। বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক নব কুমাৰ বড়ি। অতুল গগৈ, ৰোহিণী দেউৰী, বিপ্লৱ চেতিয়া, ৰিয়াজুল হক আদি বহুকেইজন শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীযুত ক্ষীৰোদ দেউৰীৰ শলাগৰ শৰাইয়ে তিনিদিনীয়া কৰ্মশালাৰ সফল সামৰনি ঘোষণা কৰে।












৩/০৭/২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ সহযোগত গ্ৰীষ্মকালীন গণিত আৰু বিজ্ঞানৰ বিষয়ৰ ১ম দিনৰ কৰ্মশালা মৰিগাঁও উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত অনুষ্ঠিত কৰা হয়।2). অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় শাখাৰ দ্বাৰা আয়োজন কৰা গ্ৰীষ্মকালীন গণিত আৰু বিজ্ঞান বিষয়ৰ কৰ্মশালা অনুস্থানত বেলতলা মহাবিদ্যালয়ত সমল ব্যক্তি হিচাবে অসম বিজ্ঞান সমিতিৰ মৰিগাঁও শাখাৰ সন্মানীয় সম্পাদক শ্ৰী নিৰোদ কুমাৰ বৰা লগত ড ইমদাদ আলি উপস্থিত থাকে।3). ০৯/০৭/২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ সহযোগত গ্ৰীষ্মকালীন গণিত আৰু বিজ্ঞানৰ বিষয়ৰ দ্বিতীয় স্তৰৰ কৰ্মশালা লক্ষ্মীনাথ বেজবৰুৱা মাধ্যমিক বিদ্যালয় গছৰগুৰিত অনুষ্ঠিত কৰা হয়। ।












অসম বিজ্ঞান সমিতি যোৰহাট শাখাৰ উদ্যোগত ধেমালিৰ চলেৰে গণিত আৰু বিজ্ঞানৰ কৰ্মশালা ১৪-০৭-২০২৫ অনুষ্ঠিত হয়, লগতে অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী ডাঙৰীয়াই যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহত 'তুমি দেখাটো সঁচা নহ'বও পাৰে' উন্মোচন কৰে।

উত্তৰ উলিওৱাটো গণিত নহয়। অন্বেষণ কৰাটোহে গণিত। গণিত আৰু বিজ্ঞানৰ কৰ্মশালাত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি এইদৰে অভিব্যক্তি প্ৰকাশ কৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক ড° ভীমপ্ৰসাদ শৰ্মাই। শতবৰ্ষ উদযাপনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক ৰমেন গগৈয়ে আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা কৰ্মশালাত যোৰহাট জাতীয় বিদ্যালয়কে ধৰি কেইবাখনো বিদ্যালয়ৰ বিদ্যাৰ্থীয়ে কৰি তেওঁ কৰ্মশালা আকৰ্ষণীয় আৰু ফলপ্ৰসূ কৰি তোলে। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত অসম বিজ্ঞান সমিতি, যোৰহাটৰ সভাপতি ডঃ বিচিত্ৰ কুমাৰ বৰঠাকুৰে আদৰণী ভাষণ আগবঢ়ায়। কৰ্মশালাত বিজ্ঞানৰ সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি বিজ্ঞান প্ৰচাৰ, প্ৰসাৰ আৰু জনপ্ৰিয়কৰণৰ অসমদ অগ্ৰণী কৰ্মী বিপুঞ্জয় বৰদলৈয়ে বিজ্ঞানৰ বিভিন্নঅংশগ্ৰহণ কৰে। কৰ্মশালাত ড° ৰমেশ চন্দ্ৰ বৰুৱা, ডা বিমলাপ্ৰসাদ বৰুৱা, প্ৰবীণ বৰুনা, ডা অনিল চন্দ্ৰ গগৈ, ড' ৰাজীবলোচন গোস্বামী, ড' দীপালী খাৰঘৰীয়া, ডা বিজয় কুমাৰ ভাৰ্মা, ড' অদিতি বেজবৰুৱা, মণিৰাম লাহন, ড' ৰাজেন্দ্ৰপ্ৰসাদ দাস, ডা পুলকজ্যোতি ভূএৰ, ড' দণ্ডেশ্বৰ দত্ত, অনন্ত নাৰায়ণ বৰঠাকুৰ, ৰাতুল নাথ, জুল খাউণ্ড, সান্ত্বনা শৰ্মা, দীপজ্যোতি গোস্বামী, হেমেন কুমাৰ শইকীয়া, ধীৰেন্দ্ৰ কুমাৰ গগৈ, বুধীন দত্ত প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। শলাগ জ্ঞাপন কৰে তাৰকাগৃহৰ ডেমনস্ট্ৰেটৰ অচিন্ত্য ফুকনে।











অসম বিজ্ঞান সমিতিৰ দেৰগাঁও শাখাৰ উদ্যোগত আয়োজন কৰা গণিত আৰু বিজ্ঞান বিষয়ৰ তিনিদিনীয়া গ্ৰীষ্মকালীন কৰ্মশালা ১০ জুলাইৰ পৰা আৰম্ভ হৈছে। অসম বিজ্ঞান সমিতিৰ অৰ্থসাহায্য ত অনুষ্ঠিত এই কৰ্মশালাত দেৰগাঁৱৰ চাৰিখন বিদ্যালয়ৰ নৱম দশম শ্ৰেণীৰ শতাধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। এই উপলক্ষে আজি দেৰগাঁও বিজ্ঞান সমিতিৰ সভাপতি ড° মণোজ জ্যোতি হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী সভা খনৰ আঁতধৰে সম্পাদক ড° সঞ্জয় কুমাৰ হাজৰিকাই। গোলাঘাট উত্তৰ শিক্ষা খণ্ডৰ খণ্ড সমল ব্যক্তি ৰাজীৱ শৰ্মাই উদ্বোধন কৰা কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত দেৰগাঁও বালিকা উচ্চতৰ মাধ্যমিকবিদ্যালয়ৰ অধ্যক্ষ চিদানন্দ পাঠক, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰতাপ চন্দ্ৰ কন্দলী, গুৰযোগনীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অৰুন শৰ্মা, ডি কে ডি কলেজৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° পবিত্ৰ মহন্ত, দেবগাঁও বিজ্ঞান সমিতিৰ সহকাৰী সম্পাদক মৃগেন বৰাকে প্ৰমুখ্যে কৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আজি অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিনোদ কুমাৰ শৰ্মা (গনিত) আৰু অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক বিজিত ৰঞ্জন শইকীয়া (বিজ্ঞান) ই কৰ্মশালা খনিৰ সমল ব্যক্তি হিচাবে অংশগ্ৰহণ কৰে। কাইলৈৰ পৰা কৰ্মশালা খনিত "ধেমালিৰ চলেৰে বিজ্ঞান" শীৰ্ষক এক ব্যৱহাৰিক প্ৰদৰ্শন কৰা হয়।









# দক্ষিণ করিমগঞ্জ শাখা


















**Summer Camp held in Hailakandi.** The three-day summer camp of the Assam Science Society was inaugurated on the premises of SS College in Hailakandi on Sunday. The camp was inaugurated by president of the Hailakandi branch of the Assam Science Society Sukanya Choudhury. Around 50 students from 10 schools of Hailakandi dis-trict are participating in the camp. The camp features various events such as work-shops on mathematics and science, model exhibitions, and math and science related games. The camp aims to promote scientific knowledge and awareness among students, and to encourage them to take up careers in science and technology. The Assam Science Society has been organizing such camps and events to promote scientific literacy and awareness in the region.

On the other hand, two summer camps were organised at Madaripar.








ME School and office premises of Lala Block Elementary Education Officer by the Lions Club of Lala. Large number of stu-dents participated in the camp where various activi-ties, sporting events, etc., were organized.It was attended by the president of Lala Lions Club Nurul Hussain Mazumdar, service chairman Nachiketa Nath. vice-president Monowar Hussain Chowdhury, school's SMDC chair-man Tapajyoti Nath Choud-hury, senior citizen Samiran Paul, poet Hifjur Rahman Laskar among others.


















# অসম বিজ্ঞান সমিতিৰ গ্ৰীষ্মকালীন বিজ্ঞান আৰু গণিত বিষয়ৰ কৰ্মশালা



অসম বিজ্ঞান সমিতিৰ গ্ৰীষ্মকালীন বিজ্ঞান আৰু গণিত বিষয়ৰ কৰ্মশালা ডুমডুমা: নিজা বাতৰি দিওঁতা, ৮ জুলাইঃ অসম বিজ্ঞান সমিতি, ডুমডুমা শাখাই ৫ জুলাইৰ পৰা ৭ জুলাইলৈ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ডুমডুমা জাতীয় বিদ্যালয় আৰু তালাপ বালিবজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত দুখন গ্ৰীষ্মকালীন গণিত আৰু বিজ্ঞানৰ কৰ্মশালা অনুষ্ঠিত কৰে। শাখাৰ সভাপতি ড° মীনা দেবী বৰুৱাই বিদ্যালয় দুখনত অনুষ্ঠিত হোৱা কৰ্মশালাৰ ৫ জুলাইত উদ্বোধন কৰাৰ পাছত সমল ব্যক্তিসকলে গণিত আৰু বিজ্ঞানৰ প্ৰশ্নকাকত তথা বিষয়বস্তুৰ সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰে। উল্লেখযোগ্য যে তিনিচুকীয়া জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকেও ৩০ জুনত বিদ্যালয় প্ৰধানসকলক ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা অনুযায়ী অসম বিজ্ঞান সমিতিয়ে আয়োজন কৰা উক্ত বিদ্যালয় দুখনৰ কৰ্মশালাত যোগদান কৰিবলৈ অনুৰোধ জনাইছিল। কৰ্মশালা দুখনত তালাপ বালিবজাৰ উচ্চ মাধ্যমিকবিদ্যালয়ৰ প্ৰধান শিক্ষক ভৈৰৱ মৰাণ তথা ডুমডুমা জাতীয় বিদ্যালয়ৰ অধ্যক্ষা সুৰভি মৰাণৰ উপৰি শাখাৰ সাধাৰণ সম্পাদক তথা অসম বিজ্ঞান সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ধীৰেন ডেকা, বিজ্ঞান সমিতিৰ আজীবন সভা তথা ডুমডুমা জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অৰ্জুন বৰবা, আজীবন সভ্য তথা বিশিষ্ট সাংবাদিক অভিজিৎ খাটনিয়াৰ উপস্থিত থাকে। কৰ্মশালাত সমল ব্যক্তি হিচাপে নন্দিতা চক্ৰবৰ্তী গগৈ, বাজ্যোতি বৰা, সুন্নত চক্ৰবৰ্তী, শুভাশিস মল্লিক, আৰতি সৰকাৰ সোণোৱাল উপস্থিত থাকি প্ৰশিক্ষণ দিয়াৰ বিপৰীতে কণুমণি দত্ত ভূএগ্ৰা, দীপালী শইকীয়া, উৎপল পূজাৰীয়ে সমন্বয়ক ৰূপে কৰ্মশালা দুখন সুকলমে পৰিচালনা কৰে। ডুমডুমা, তালাপ আৰু ছৈখোৱা অঞ্চলৰ প্ৰায় দহ-বাৰখন বিদ্যালয়ৰ ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপৰি বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও কৰ্মশালা দুখনত অংশগ্ৰহণ কৰে।






অসম বিজ্ঞান সমিতি গৌৰীসাগৰ দিখৌমুখ শাখাৰ উদ্যোগত আৰু গৌৰীসাগৰ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ সহযোগত যোৱা ৯ জুলাই বুধবাৰে স্কুলৰ প্ৰেক্ষাগৃহত "অগতানুগতিক চিন্তাধাৰাৰে বিজ্ঞানৰ লগত এদিন" শীৰ্ষক এক গ্ৰীষ্মকালিন কৰ্মশালা অনুষ্ঠিত হৈ যায়। শাখাৰ সম্পাদক ড° নৱজ্যোতি বড়াই আঁতধৰা উদ্ধোধনী অনুষ্ঠানত অতিথি আৰু সমল ব্যক্তিসকলক সহ সম্পাদিকা পল্লৱী বড়াৰ পৰিচালনাত শাখাৰ আৰু স্কুলৰ তৰফৰ পৰা গামোচাৰে আদৰণি জনোৱা হয়।কৰ্মশালা উদ্বোধন কৰে তিনিচুকীয়া জিলাৰ নিৰ্বাচনী বিষয়া ময়ুৰাক্ষী দত্তই। দত্তই উদ্ধোধনী ভাষণত বিদ্যালয়ৰ পয্যায়ত বিজ্ঞানৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। স্কুলৰ অধ্যক্ষ ৰূপজ্যোতি নাথে আদৰনি ভাষণ পাঠ কৰা অনুষ্ঠানটিত শাখাৰ হৈ বক্তব্য আগবঢ়ায় শাখাৰ সভাপতি প্ৰশান্ত কুমাৰ নেওগে। এই অনুষ্ঠানতে স্কুলৰ পৰিচালনা সমিতিৰ সভাপতি দিগন্ত নাথ আৰু অধ্যক্ষৰ হাতত বিজ্ঞান জেউতিৰ তিনিটা সংখ্যা প্ৰদান





কৰে শাখাৰ কাৰ্যকৰী সভাপতি হীৰেন কুমাৰ নেওগে। কৰ্মশালাখনত চাৰিটা বিভিন্ন বিষয়ৰ ওপৰত চাৰিজন সমল ব্যক্তিয়ে শ্ৰব্য-দৃশ্য মাধ্যমৰ সহায়ত বিস্তৃত ভাৱে উপস্থাপন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰলগত আলোচনা কৰে। "কৃত্ৰিম বুদ্ধিমত্তা আৰু বিজ্ঞান -প্ৰযুক্তিবিদ্যাত ইয়াৰ প্ৰয়োগ" বিষয়ৰ ওপৰত আলোকপাত কৰে বৰহোলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক বকুল গগৈয়ে। গণিতৰ দৰে টান বিষয়টোক সহজ আৰু আকৰ্ষিত কৰাৰ লক্ষ্যৰে নুমলীগড় দিল্লী প্লাৱিক স্কুলৰ গণিত বিষয় শিক্ষক দেৱজিৎ বৰুৱাই "সূত্ৰ আৰু সমীকৰণৰ সহায়ত গাণিতীক সমস্যাৰ সমাধান" বিষয়ৰ ওপৰত আলোকপাত কৰে। বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত গণিতৰ সমস্যাৰ সমাধানৰ ক্ষেত্ৰত ছাত্ৰ- ছাত্ৰীসকলৰ উপযোগী হোৱাকৈ বিভিন্ন সহায়ক গ্ৰন্থও তেখেতে প্ৰদৰ্শন কৰে। "গৌৰীসাগৰ আৰু দিখৌমুখৰ জৈৱবৈচিত্ৰ আৰু পৰ্যটনৰ সম্ভাৱিয়তা" বিষয়ৰ ওপৰত বক্তব্য প্ৰদান কৰে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ ড° নৱজ্যোতি বড়া। বৃহত্তৰ অঞ্চলটিৰ জৈৱ বৈচিত্ৰতাৰ এক অৱলোকন কৰাৰ লগতে ব্ৰহ্মপুত্ৰ, দিখৌ আৰু ৰজাদিনীয়া পুখুৰীবোৰক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়দিয়াৰ মত পোষণ কৰে। সুন্দৰ আলোকচিত্ৰ, বিস্তৃত তথ্য সম্বলিত, বৰ্তমানৰ অৱস্থিতিক লৈ অসমৰ







বন্যপ্ৰাণী আৰু ইয়াৰ সংৰক্ষণ বিষয়ত বিস্তৃতভাৱে আলোচনা কৰে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ শতাব্দী শইকীয়াই।

তেখেতে বন্যপ্ৰাণী-মানুহৰ সংঘাত, সংৰক্ষণ আদি দিশও সামৰি লয়। চাৰিওটা আলোচ্য বিষয়ত প্ৰতিবেদন প্ৰস্তুত কৰে তৃপ্তি বড়াই, কৰবী সন্দিকৈ আৰু কাব্যশ্ৰী বড়াই| নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ১১০ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কৰ্মশালাৰ সামৰণি অনুষ্ঠানত অসম বিজ্ঞান সমিতিৰ যুটীয়া সচিব অৰূপ কুমাৰ দত্ত উপস্থিত থাকে। দত্তই তেখেতৰ বক্তব্যত বিজ্ঞান সমিতিৰ লক্ষ্য আৰু উদ্দেশ্যৰ কথা অৱগত কৰাৰ লগতে এটি কিতাপৰ টোপোলা আগবঢ়াই। বীণা বড়া, যুগল শইকীয়া, প্ৰাঞ্জলজ্যোতি দত্ত, চন্দ্ৰকমল ৰাজখোৱা আৰু স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী উপস্থিতি থকা সামৰণি অনুষ্ঠানত শাখাৰ হৈ সদস্যসকলে এখন কৃতজ্ঞতা পত্ৰ স্কুলৰ পৰিচালনা সমিতি আৰু অধ্যক্ষৰ হাতত অৰ্পণ কৰে।



# নলবাৰীত অসম বিজ্ঞান সমিতিৰ বিশেষ কৰ্মশালা সমাপ্ত

১২ জুলাই : অসম বিজ্ঞান সমিতিৰ বৰভাগ শাখাৰ উদ্যোগত আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, বৰভাগ আৰু পূব নলবাৰীৰ সহযোগত নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে দুদিনীয়াকৈ এক বিশেষ গ্ৰীষ্মকালীনকৰ্মশালা নলবাৰী জিলাৰ বৰভাগত অনুষ্ঠিত হয়। বৰভাগ কালাগ উচচতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত বিশেষ কৰ্মশালাখন আজি পুৰা উদ্বোধন কৰে শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ মকিবৰ বহ মানে। বিজ্ঞান আৰুগণিত বিষয়ক কৰ্মশালাখনৰ উদ্বোধনী অনুষ্ঠানত আইআইটি, কৰকীৰ অধ্যাপক বিস্তৃতি ৰঞ্জন ভট্টাচাৰ্য, নতুন দিল্লীৰ কেৰিয়াৰ পৰামৰ্শদাতা পংকজ শৰ্মা আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, নলবাৰীৰ জিলা সমন্বয়ক তথা অসম বিজ্ঞান সমিতিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহ ক সদস্য প্ৰদীপ মহন্ত উপস্থিত থাকে। বৰভাগ অঞ্চলৰ কেইবাখনো বিদ্যালয়ব নৱম আৰু দশম শ্ৰেণীৰ বহুকেই গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই কৰ্মশালাত অংশগ্ৰহণ কৰে। এনে ধৰণৰ কৰ্মশালাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকল ভবিষ্যতে উপকৃত হ'ব বুলি অনুষ্ঠানটোৰ উদ্বোধক মকিবৰ ৰহমানে ভাষণত উল্লেখ কৰে ।










Barkhetri Branch: The Assam Science Society, Barkhetri Branch, organized a Summer Maths and Science Workshop Camp for Classes IX and X at RNCHS School, Mukalmua, on July 10th, 11th, and 12th, 2025. The camp was conducted and taught by Science Teacher Sintu Kalita, Retired Science Teachers Kamal Uddin Ahmed and Mortuz Ali, and Madras IITian Amlanjyoti Sarma. The Honorable Principal of RNCHS School, Pranjal Goswami; Shashibhushan Deka from NIT Nagpur; and Anil Kr. Kakati, Secretary of the Barkhetri Branch, also attended the program. Six schools participated in the camp. The Aryabhatta Science Center, Barkhetri Block, collaborated with the Branch on their summer science activities camp, "How to Do a Project."






অসম বিজ্ঞান সমিতি
গ্ৰীষ্মকালীন গণিত আৰু বিজ্ঞান বিষয় কৰ্মশালা
(নৱম আৰু দশম শ্ৰেণীৰ বাবে)
আয়োজকঃ অসম বিজ্ঞান সমিতি, পাটাছাৰকুছি শাখা, জিলাঃ বজালী
স্থানঃ শংকৰদেৱ শিশু বিদ্যা নিকেতন, নিত্যানন্দ
দিনাংক ঃ ১৬, ১৭ আৰু ১৮ জুলাই ,২০২৫ ইং চন














17 Jul 2025 13:24:30
Titaguri Pt I
Lower Assam Division
Assam


14 Jul 2025 10:41:36
Patgaon
Lower Assam Division
Assam


17 Jul 2025 11:06:13


14 Jul 2025 12:22:54

# Karimganj Branch

Karimganj Branch: Assam Science Society Karimganj Branch completed three days Summer Camp on Science and Mathematics on 26th, 27th and 29th July. 72 participants attended the programme. Sri Neelam Jyoti Das, Inspector of Schools, Sribhumi attended as the Chief guest of the Inauguration session of the programme on 26th July, 2025.

















# গণিত আৰু বিজ্ঞানৰ কৰ্মশালা




গণিত আৰু বিজ্ঞানৰ কৰ্মশালা, ২৬ জুলাই: অসম বিজ্ঞান সমিতি বিশ্বনাথ শাখা, অসম আদৰ্শ বিদ্যালয় বৰপামচাৰিআলি ৰ উদ্যোগত বিশ্বনাথ জিলাৰ অসম আদৰ্শ বিদ্যালয় বৰপামত গ্ৰীষ্মকালীন গণিত আৰু বিজ্ঞানৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। উৎকট গৰমৰ সময়ত ছাত্ৰ-ছাত্ৰী ঘৰৰ ভিতৰত ম'বাইল, টিভিত ব্যস্ত হৈ থকাৰ সময়তে অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাই বিনামূলীয়াকৈ অনুষ্ঠিত, কৰাকৰ্মশালাত চতিয়াৰ বিভিন্ন বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাৰ সমল ব্যক্তি হিচাপে চেঙামাৰী উচ্চমাধ্যমিক বিদ্যালয়ৰ শিক্ষক ৰিপুঞ্জয় বৰদলৈয়ে অংশগ্ৰহণ কৰে। ৰিপুঞ্জয় বৰদলৈয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত মবিয়াছবি ফিটা, দৃষ্টি শ্ৰম, জীৱ বিচিত্ৰতা, আৰু গণিতৰ সমস্যাৰ কৌশলী সমাধান কৰাব প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰি আনন্দিত হোৱা পৰিলক্ষিত হয়। শিক্ষক বৰদলৈৰ হাতে কামে বিজ্ঞান আৰু গণিত শিকোৱাৰ প্ৰয়াসক অভিভাৱক তথা গণ্য-মান্য ব্যক্তিসকলে প্ৰশংসা কৰা দেখা যায়।













Chapakhowa, Assam, India
Wq58+7pq, National Highway 37, Chapakhowa, Assam 786157, India
Lat 27.908857° Long 95.7667°
19/07/2025 11:46 AM GMT +05:30


The Fundamental Unit of Life

অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাই ইং ৭, ৮ আৰু ৯ জুলাই ২০২৫ তাৰিখে তিনিদিনীয়া কাৰ্যসূচীৰে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ মাজত এখন কৰ্মশালা অনুষ্ঠিত কৰে । বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰ সম জিলাৰ বৰঙাবাৰীস্থিত কনকলতা আদৰ্শ ছোৱালী হাইস্কুলত অনুষ্ঠিত হোৱা গণিত আৰু বিজ্ঞান বিষয়ৰ কৰ্মশালাখনত ৮০ গৰাকী ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে । সমল ব্যক্তি হিচাপে সূৰ্য ভুঞাঁ , ৰূপম ৰঞ্জন ৰাজখোৱা , প্ৰফুল্ল বৰুৱা , দীপ দত্ত বৰুৱা , নীলমণি শৰ্মা আৰু কবিতা শইকীয়াই অংশগ্ৰহণ কৰে । অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ সম্পাদক কেশৱ শৰ্মাই আঁত ধৰা তিনিদিনীয়া কৰ্মশালাখনত কনকলতা আদৰ্শ ছোৱালী হাইস্কুলৰ বিদ্যালয় প্ৰধান তনয়া শৰ্মা , গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান সঞ্জীৱ গগৈ , মধ্য ছয়দুৱাৰ শাখাৰ উপ সভাপতি মুকুট বৰদলৈ , শাখাটোৰ সহ: সম্পাদক বীৰেন কাথ হাজৰিকাকে আদি কৰি কেইবা গৰাকী ব্যক্তি উপস্থিত থাকে । সামৰণি অনুষ্ঠানত ছাত্ৰ ছাত্ৰী সকলে বিশেষ ভাৱে উপকৃত হোৱাৰ কথা ব্যক্ত কৰে












# অসম বিজ্ঞান সমিতি

ককয়া শাখা

**ASSAM SCIENCE SOCIETY**

Kakaya Branch

Regd. Under Societies Registration Act XXI of 1860 Regd. No. 49 of 1960-61

স্থাপিত ঃ ১৯৯৫ ইং চন (Estd. 1995)

শ্ৰীবিচিত্ৰ কুমাৰ মজুমদাৰ
সভাপতি

শ্ৰীজিতেন্দ্ৰ নাথ বৈশ্য
কাৰ্যকৰী সভাপতি

শ্ৰীভগৱান চন্দ্ৰ বৰ্মন
শ্ৰীনৰেন্দ্ৰ কুমাৰ ভাগৱতী
উপ সভাপতিদ্বয়

শ্ৰীপ্ৰফুল্ল বৰ্মন
সম্পাদক

শ্ৰীবশিষ্ঠ দাস (ঘোৰাথাল)
কোষাধ্যক্ষ

কাৰ্যনিৰ্বাহক সদস্য
শ্ৰীহৰমোহন বৰ্মন (বেলশৰ)
শ্ৰীযাদৱ কাকতি (কনমাজা)
শ্ৰীবৰ্ণালিমা গোস্বামী (জাগাৰা)
শ্ৰীধীৰাজ ভূঞা (নামশালা)
শ্ৰীবিপুল চন্দ্ৰ দাস (ঠুটিকাটা)
আনোৱাৰ আলি (ডিকৰা)

হিচাপ পৰীক্ষকদ্বয়
শ্ৰীসত্যৰাম দাস (বৰ্ণিবাৰী)
কুমুদ প্ৰসাদ ডেকা (ককয়া)

## শোক বাৰ্তা

দিনাংক: ককয়া, ০৭ জুলাই, ২০২৫ ইং

যোৱা ২৯ জুন তাৰিখে অসম বিজ্ঞান সমিতি, ককয়া শাখাৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰীজ্ঞানেন বৰ্মন ডাঙৰীয়াৰ মৃত্যুত অসম বিজ্ঞান সমিতি, ককয়া শাখাই গভীৰ শোক প্ৰকাশ কৰে।

ককয়া-সৰ্থেবাৰী অঞ্চলত শিক্ষা-সাহিত্য, কলা-সংস্কৃতিৰ লগতে অসম বিজ্ঞান সমিতিৰ এইটো শাখা গঠন কৰি নেতৃত্ব দিয়া সৰ্বত শাখাৰ প্ৰতিষ্ঠাপক সভাপতি হিচাপে শ্ৰীবৰ্মনক শাখাই মনত ৰাখিব। শ্ৰীবৰ্মনৰ অকাল আৰু আকস্মিক মৃত্যুত দুখ প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা যাচে।

অসম বিজ্ঞান সমিতি, ককয়া শাখাৰ হৈ

প্ৰফুল্ল বৰ্মন

সভাপতি/সম্পাদক
অসম বিজ্ঞান সমিতি

স্থাপিত ঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীনত পঞ্জীভুক্ত

অসম বিজ্ঞান সমিতি
ASSAM SCIENCE SOCIETY
(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

## অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ১০ জুলাই, ২০২৫

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ আজীৱন সদস্য, ককয়া শাখাৰ প্ৰতিষ্ঠাপক সভাপতি, **শ্ৰী সনাতন বৰ্মনৰ** যোৱা ২৯ জুন, ২০২৫ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে শ্ৰী বৰ্মনৰ বিয়োগত সমিতিৰ তথা ককয়া অঞ্চলৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। সমিতিৰ এজন সদস্য হিচাপে শ্ৰী বৰ্মনে আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ড০ অৰূপ কুমাৰ মিশ্ৰ)
সভাপতি

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব

অসম বিজ্ঞান সমিতি

সন্মানীয় শাখা সমূহৰ সভাপতি আৰু সম্পাদক সকল, অতি কম সময়ৰ ভিতৰতে আপোনালোকে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ সুবিধা হব পৰাকৈ আয়োজন কৰা কৰ্মশালাৰ সফল ভাৱে সমাপ্তি কৰিলে তাৰ বাবে আপোনালোকক সেৱা আৰু ধন্যবাদ জনাইছোঁ। আমি আটাইয়ে আশাবাদী এই কৰ্মশালাৰ যোগেদি সামান্যতম হলেও ছাত্ৰ ছাত্ৰীৰ উল্লেখিত বিষয় দুটাত সফল হব পৰাকৈ উপকৃত  হৈছে। কেন্দ্ৰীয় সমিতিৰ পৰা আপোনালোকক যি ধৰণে সহায় সহযোগিতা কৰিব লাগিছিল সেই ধৰণে পৰা নাই। কিন্তু আপোনালোকে কেন্দ্ৰীয় সমিতিৰ মাত্ৰ এটা আহ্বানতেই আয়োজন কৰা কৰ্মশালাই ভৱিষ্যতে এই দিশত কাৰ্যসূচী গ্ৰহণ কৰাত সুবিধা প্ৰদান কৰিলে। পুনৰ সকলো লৈকে অভিনন্দন জনাইছোঁ।

**- প্ৰধান সচিব, অসম বিজ্ঞান সমিতি**

## গোৰেশ্বৰ শাখা


হাটী ■ বৃহস্পতিবাৰ, ৩ জুলাই, ২০২৫/১৮ আহাৰ, ১৯৪৭ শক

**গোৰেশ্বৰ ষ্টেচনৰ আশে-পাশে অপতৃণ পাৰ্থেনিয়ামেৰে ভৰি পৰিছে**

গোৰেশ্বৰ ষ্টেচনৰ আশে-পাশে অপতৃণ পাৰ্থেনিয়ামেৰে ভৰি পৰিছেপ্ৰতিদিন সেবা, গোৰেশ্বৰ, ২ জুলাই: তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ ৰে'ল ষ্টেচনৰ আশে-পাশে ভৰি পৰিছে স্বাস্থ্যৰ পক্ষে হানিকাৰক অপতৃণ পাৰ্থেনিয়াম। ২৯ জুনত অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ বিষয়ববীয়াই উক্ত আস্থানত উপস্থিত হৈ অপতৃণবিধ বিষাক্ত পাৰ্থেনিয়াম বুলি চিনাক্ত কৰে। অপতৃণবিধ নুফুলোতেই ধ্বংস কৰিবপাৰিলে ইয়াৰ বৃদ্ধি কিছু পৰিমাণে কম হয়। কিন্তু ষ্টেচনটোৰ আশে-পাশে থকা অপতৃণবিধ ফুলিবলৈ ধৰাত মানুহৰ মনত শংকাৰ সৃষ্টি হৈছে। অসম চৰকাৰ আৰু কৃষি বিশ্ববিদ্যালয়ৰ উদ্যোগত বিভিন্ন ঠাইত পাৰ্থেনিয়াম নিৰ্মূলকৰণ নিশ্চিত কৰিবলৈ গণসজাগতা কাৰ্যসূচী লৈ আহিছে। লক্ষণীয়ভাবে গোৰেশ্বৰ অঞ্চলতঅপতৃণ পাৰ্থেনিয়ামৰ ভয়াৱহতা সন্দৰ্ভত ৰাইজক সজাগ-সচেতন কৰাৰ বাবে বিভাগীয়ভাবে কোনো ধৰণৰ কাৰ্যসূচী হাতত লোৱা পৰিলক্ষিত হোৱা নাই। উক্ত অপতৃণবিধ নিৰ্মূল কৰাৰ লগতে অপতৃণবিধৰ পৰা হ'ব পৰা ৰোগ সন্দৰ্ভত ৰাইজক সজাগ-সচেতন কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাই দাবী জনাইছে।

লক্ষীমপুৰ শাখা: আজি অসম বিজ্ঞান সমিতিৰ লক্ষীমপুৰ শাখাটি পুনৰ কাৰ্যক্ষম কৰি শাখাৰ নতুন সমিতি গঠন কৰে ।নতুন সমিতিত ড প্ৰবাল শইকীয়াক সভাপতি আৰু ৰফিক আহমেদ বৰুৱাক সাধাৰণ সম্পাদক নিৰ্বাচন কৰি নতুন সমিতি খন গঠন কৰে ।







অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখা, পু এন ক' ৱহিন্ড
আৰু মেগামিক্স প্ৰকৃতি সংঘৰ উদ্যোগত (নৱম শ্ৰেণীৰ উৰ্দ্ধ
আৱাসিক
প্ৰকৃতি শিবিৰ
৪ জুলাইৰ পৰা ৭ জুলাই, ২০২৫লৈ
স্থান - গোহাইবাৰী মজলীয়া বিদ্যালয়
৬০০০৫৭৩৩৪৫,

**ঢকুৱাখনা শাখাঃ** আবাসিক প্ৰকৃতি শিবিৰ ৩.০ প্ৰতিবেদনঃ অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখা, পু এন ফ' ৱাইল্ড আৰু মেগামিক্স প্ৰকৃতি সংঘৰ উদ্যোগত অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখা মহিলা কোষৰ সহযোগত আৱাসিক প্ৰকৃতি শিবিৰ ইংৰাজী ৪ জুলাইৰ পৰা ৭ জুলাই, ২০২৫ লৈ অনুষ্ঠিত হয় ।

পৰিৱেশ বিষয়টো কেৱল কিতাপৰ মাজতে সীমাবদ্ধ নহয়। পৰিৱেশ বিষয়টো জানিবলৈ, বুজিবলৈ হ'লে আমি ইয়াৰ বিষয়ে পুংখানুপুংখভাৱে অধ্যয়ন কৰিব লাগিব লগতে পৰিৱেশক ওচৰৰ পৰা অনুধাৱন কৰিবলৈ হ'লে পৰিৱেশ মাজত নিজেই থাকি সময় অতিবাহিত কৰিব লাগিব ।

বৰ্তমান সময়ত আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি সততে এটা প্ৰশ্নৰ সন্মুখীন হোৱা দেখা যায় বা অভিভাৱক সকলে নিজৰ সন্তানৰ বিষয়ে কোৱা শুনা যায় আজিকালি ইন্টাৰনেট, ম'বাইল, লেপটপ আদি অধিক সময় দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে আমাৰ ধুনীয়া পৰিৱেশটোৰ সৈতে কৰবাত নহয় কৰাবত একাত্ম হব পৰা নাই যেন অনুভৱ হয়। পৰিৱেশ বিষয়ক কথাবোৰ ওচৰৰ পৰা অনুভৱ কৰিবলৈ আৰু আমাৰ ছাত্ৰ-ছাত্ৰী সকলক আমাৰ ধুনীয়া পৰিৱেশটোৰ সৈতে একাত্ম কৰিব পৰাকৈ এটা পৰিৱেশ গঢ়ি দিবৰ বাবে বিগত বৰ্ষ বোৰৰ দৰে এই বছৰো আয়োজন কৰা হৈছে আৱাসিক প্ৰকৃত শিবিৰ ।

অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ সম্পাদক বিমান সন্দিকৈয়ে আঁতধৰা উদ্বোধনী অনুষ্ঠানৰ উদ্বোধন কৰে অসম বিজ্ঞান সমিতিৰ প্ৰধান সচিব শ্ৰীযুত মৃণাল কুমাৰ হাজৰিকাদেৱে। ভাষণ প্ৰসংগত হাজাৰিকাদেৱে পৰিৱেশ আৰু প্ৰকৃতিৰ নিয়মাৱলী লগতে অসমৰ বিজ্ঞান চৰ্চাৰ









ইতিহাস সম্পৰ্কে বহুখিনি কথা ব্যক্ত কৰে। উদ্বোধনী অনুষ্ঠানত পৰিৱেশমিত্ৰ দেৱজিৎ ফুকন, দিগেন্দ্ৰ নাথ হাজৰিকা, ডঃ নৰেন্দ্ৰ নাথ দত্ত, পৰমানন্দ দত্ত, পদ্মা বৰা, স্বৰ্ণ লতা গগৈ চমুৱা, হীমাশ্ৰী চমুৱা, হেমন্ত কুমাৰ বৰুৱা আদি উপস্থিত থাকে। প্ৰথম দিনৰ প্ৰথম কাৰ্যসূচী হিচাপে আৱাসিক ছাত্ৰছাত্ৰীৰ চিনাকি অনুষ্ঠান আৰম্ভ হয় পূৰ্ণিমা দেৱীৰ সঞ্চালনাত। ইয়াৰ পিছতেই তিনিজন সমল ব্যক্তি ক্ৰমে সত্যব্ৰত গগৈ, যুগল সন্দিকৈ আৰু নয়নদীপ দত্তই হাতে কামে বিজ্ঞান, দৈনন্দিন জীৱনত গণিত আদি বিভিন্ন দিশ অৱলোকন কৰে ।




**দ্বিতীয় দিনৰ** কাৰ্যসূচী আৰম্ভ হয় পক্ষী নিৰীক্ষণৰ জৰিয়তে। উক্ত কাৰ্যসূচী ৰূপায়ন কৰে অসম বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ শ্যামল শইকীয়াই। ইয়াৰ পিছতে পৰিৱেশমিত্ৰ দেৱজিৎ ফুকনদেৱৰ পৰিৱেশ, প্ৰকৃতি আৰু মানুহ বিষয়ক বক্তব্য আগবঢ়ায়। নেচাৰ্চ বেকনৰ প্ৰতিষ্ঠাপক অসম গৌৰৱ সৌম্যদ্বীপ দত্ত জৈৱবৈচিত্ৰ আৰু মানুহ বিষয়ক আলোচনাচক্ৰত অংশগ্ৰহণ কৰে আৰু প্ৰশিক্ষাৰ্থীসকলৰ সৈতে বাৰ্তালাপ অনুষ্ঠানত অংশ লয়। ইয়াৰ পিচতেই ডঃ অমল চন্দ্ৰ দত্ত দেৱে প্লাষ্টিকৰ পৰা সম্পদলৈ শীৰ্ষক এটি আলোচনা power point presentation কৰে। ৰাতিলৈ ত্ৰীবেণী গগৈ আৰু ৰুবি বৰাই পৰ্বতাৰোহনৰ আদিপাঠ বিষয়ক এটি মনোগ্ৰাহী আলোচনা আগবঢ়াই।







ত্ৰীবেণী গগৈ, ৰুবি বৰাৰ নেতৃত্বত শিবিৰৰ ছাত্ৰ-ছাত্ৰীক লৈ যোৱা হয় অৰুণাচল প্ৰদেশত অৱস্থিত ৰূপহী জলপ্ৰপাতলৈ। দিনটো ট্ৰেকিং, ক্ষেত্ৰ অধ্যয়ন, জলপ্ৰপাতৰ পৰিৱেশ নিকাকৰণ, বনভোজ আদিৰে

**তৃতীয় দিনৰ** কাৰ্যসূচী আছিল ক্ষেত্ৰ অধ্যয়ন, পৰ্বতাৰোহন আৰু ট্ৰেকিং।



দিনটোৰ সামৰণি পৰে। ট্ৰেকিংৰ দলটোত য়াচমিন চুলতান, দেৱজিৎ ফুকন, স্বৰ্ণলতা গগৈ, মানস প্ৰতিম দত্ত, ধ্ৰুৱ জ্যোতি চেতিয়া, সুনীল চেতিয়া, বিমান সন্দিকৈ আদিয়ে সহযোগ কৰে ।

**চতুৰ্থ দিনৰ** কাৰ্যসূচী আৰম্ভ হয় প্ৰদীপ কুমাৰ দত্তৰ জীৱাশ্ম ইন্ধন আৰু মানুহ বিষয়ক আলোচনাৰ জৰিয়তে। মাজুলীৰ সুনীল কুমাৰ বৰাৰ থলুৱা মাছ সংৰক্ষণ আৰু আমাৰ প্ৰকৃতি বিষয়ক এক তত্ত্বগধুৰ আলোচনা আগবঢ়াই। সামৰণি অনুষ্ঠানত উপস্থিত আছিল ডঃ নৰেন্দ্ৰ নাথ দত্ত, দেৱজিৎ ফুকন, বিনোদ ফুকন, স্বৰ্ণলতা গগৈ, আদি উপস্থিত থাকে। প্ৰতিজন অংশগ্ৰহণকাৰীকে একোটাকৈ স্পৰটিং, একোখন মানপত্ৰ, সমল ব্যক্তিসকলক কৃতজ্ঞতা পত্ৰ, কাপোৰৰ বেগ, বিচনী আদি প্ৰদান কৰা হয়।

লখিমপুৰ, ধেমাজি, আৰু মাজুলী জিলাৰ মুঠ ৪৩ জন ছাত্ৰ-ছাত্ৰীৰে অংশগ্ৰহণ কৰা প্ৰকৃতি শিবিৰৰ শ্ৰেষ্ঠ শিবিৰাৰ্থী বঁটা লাভ কৰে ঢকুৱাখনা মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ ছাত্ৰী পৰি দলে। আমাৰ শিবিৰত সকলো ক্ষেত্ৰতে সহায় সহযোগিতা কৰা বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী স্বৰ্ণলতা গগৈ, দেৱজিৎ ফুকন, ডঃ ৰূপম গগৈ, দিগন্ত গগৈ, কৰবী হাজৰিকা, হেমন্ত বৰুৱা, পূৰ্ণিমা দেৱী, বিনোদ ফুকন, ত্ৰীবেণী গগৈ, ৰুবি বৰা, বিদ্যালয়ৰ মাতৃগোটৰ সদস্যাসকল, ৰান্ধনী দুগৰাকীলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপণ কৰিছোঁ














আজি অসম বিজ্ঞান সমিতিৰ প্ৰতিষ্ঠা কালৰ সন্মানীয় ব্যক্তি (তেতিয়া গুৱাহাটী বিজ্ঞান সমিতি) ৰূপে প্ৰতিষ্ঠা হোৱা প্ৰথম খন সভাত সভাপতিত্ব কৰা অসম তথা ভাৰত বৰ্ষৰ প্ৰসিদ্ধ পদাৰ্থ বিজ্ঞানী হিৰণ্য চন্দ্ৰ ভূএঞা ৰ ব্যক্তি আৰু ব্যক্তিত্ব ওপৰত ভূএঞা চাৰৰ নাতি জয়ন্ত ভূএঞাদেৱে স-যতনে প্ৰকাশ কৰি উলিওৱা Portrait of a GENIUS গ্ৰন্থ খনিত বৰ্ণিত বহু নজনা কথাই আজি বেকত কৰিলে। অসমীয়া হিচাপে আমি বোৰে ভূএঞা চাৰক যিমান জানিব লাগিছিল সিমান জনা নাছিলোঁ বা জানিবৰ চেষ্টা কৰা নাছিলোঁ। হিৰণ্য ভূএঞা চাৰৰ বহু কেইজন ছাত্ৰ কৌৰী চাৰ, কিশোৰী পাঠক চাৰ, ধ্ৰুৱ জ্যোতি শইকীয়া চাৰ, ভবেন্দ্ৰ নাথ শইকীয়া চাৰ আদিৰ লেখনিৰ সম্বৃদ্ধ কৰিছে গ্ৰন্থ খনি। বৰ সুন্দৰ অনুষ্ঠানটিৰ আয়োজন কৰা হয় মৰিগাঁও ডায়েটৰ আলোচনা গৃহত আৰু গ্ৰন্থ খনৰ লগতে ভূএঞা চাৰৰ ব্যক্তিত্তৰ ওপৰত আলোচনা আগবঢ়াই সঞ্জীৱ কাকতি দেৱে। সভাখনত অসম বিজ্ঞান সমিতিৰ সদস্য সকলৰ লগতে ভালে কেইজন প্ৰবক্তা আৰু ছাত্ৰ ছাত্ৰী উপস্থিত থাকে।











# বিশ্ব সৰ্প দিৱস উদযাপন

অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখা, মেগামিক্স প্ৰকৃতি সংঘৰ আৰু পু এন ফ' ৱাইল্ডৰ উদ্যোগত মেগামিক্স প্ৰকৃতি সংঘৰ কাৰ্যালয়ত আজি বিশ্ব সৰ্প দিৱস, ২০২৫ উদযাপন কৰা হয়। অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ সম্পাদক বিমান সন্দিকৈয়ে আঁতধৰা অনুষ্ঠানটিত অসম বিজ্ঞান সমিতি, ঢকুৱাখনা শাখাৰ কাৰ্যকৰী সভাপতি পৰমানন্দ দত্তদেৱে উদ্বোধন কৰা সভাখনিত সমল ব্যক্তি হিচাপে বক্তব্য আগবঢ়াই অসম চৰকাৰৰ পৰিৱেশমিত্ৰ দেৱজিৎ ফুকন, সৰ্পবন্ধু ত্ৰিবেণী ৰঞ্জন গগৈয়ে। পৰিৱেশ আৰু প্ৰকৃতিত সাপৰ ভূমিকা সম্পৰ্কে বিশদ বিৱৰণ আগবঢ়াই অসম চৰকাৰৰ পৰিৱেশমিত্ৰ বঁটাপ্ৰাপক দেৱজিৎ ফুকনদেৱে আৰু অসমৰ সাপ চিনাক্তকৰণ পদ্ধতি সম্পৰ্কে বক্তৃতা আগবঢ়াই সৰ্পবন্ধু ত্ৰিবেনী ৰঞ্জন গগৈয়ে। সাপ আৰু অন্ধবিশ্বাস বিষয়ক বক্তব্য আগবঢ়াই বিমান সন্দিকৈ, মানস প্ৰতিম দত্ত আৰু ধ্ৰুৱ জ্যোতি চেতিয়াই। পু এন ফ' ৱাইল্ডৰ কৰ্মী সকলে ছাত্ৰ ছাত্ৰী সকলক সৰ্প দংশনৰ পিছত লবলগা সাৱধানতা আৰু প্ৰাথমিক চিকিৎসা কেনেকৈ কৰিব লাগিব তাৰ বিষয়ে আলোচনা কৰে। আজিৰ সভাত অসম বিজ্ঞান সমিতিৰ আজীৱন সদস্য প্ৰফুল্ল চুতীয়া, ডঃ নৰেন্দ্ৰ নাথ দত্ত, টুনিৰাম ফুকন, দিগন্ত গগৈ আদি ঢকুৱাখনাৰ কেইবাজনো বিজ্ঞান কৰ্মীয়ে। আজিৰ অনুষ্ঠানত ঢকুৱাখনাৰ বিভিন্ন বিদ্যালয়ৰ ৫৪ জন ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।









# অসম বিজ্ঞান সমিতিৰ সম্বৰ্ধনা

১৯ জুলাই: বিশিষ্ট বিজ্ঞান লিখক, শিশু সাহিত্যিক, শিশু সাহিত্যৰ বাবে সাহিত্য অকাডেমী বঁটা বিজয়ী মৌচাক মামা আৰু শান্তনু তামুলী হিচাপে প্ৰখ্যাত ড' প্ৰমোদ চন্দ্ৰ তামুলীক আজি এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহৰ প্ৰেক্ষাগৃহত যোৰহাট বিজ্ঞান চ'ৰাৰ সদস্যসকলৰ লগতে যোৰহাটবাসী ৰাইজে বিপুলভাবে সম্বৰ্ধনা জনায়। বিজ্ঞান চ'ৰাৰ লগতে, অসম বিজ্ঞান সমিতি, বিজ্ঞান কেন্দ্ৰ আক তাৰকা গৃহৰ কৰ্মচাৰীকে ধৰি বহু সংখ্যক সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে বিশিষ্ট লোকজনলৈ অসম তথা দেশৰ বিজ্ঞান-সাহিত্য জগতলৈ আগবঢ়োৱা অনবদ্য অবদানৰ বাবে সাহিত্য অকাডেমী বঁটা বিজয়ী বিশিষ্ট লিখক তথা শিশু সাহিত্যিকজনক সম্বৰ্ধনা জনায়। সম্বৰ্ধনাৰ উত্তৰত বিশিষ্ট লিখকজনে তেওঁক প্ৰতি যোনহাটন ৰাইজে দেখুওৱা এই মৰমৰ বাবে অভিভূত হৈ পৰা বুলি উল্লেখ কৰি কৃতজ্ঞতা প্ৰকাশ কৰে আৰু তেওঁৰ প্ৰতি দেখুওৱা এই মৰম তথা সম্বৰ্ধনাই তেওঁৰ দায়িত্ব বৃদ্ধি কৰা বুলি উল্লেখ কৰে। প্ৰসংগতে তেওঁ বিজ্ঞানৰ ছাত্ৰ হিচাপে চাকৰি কৰাৰ পিছতে কেনেদৰে শিশুসকলৰ মাজত বিজ্ঞান বিষয়টো জনপ্ৰিয় কৰি তুলিব তাৰ চেস্টাৰে তোওঁ লিখিবলৈ আবস্থ কৰা খুলি উল্লেখ কৰে। তেওঁ শিশুৰ উপযোগীকে লিখা অন্থ বিনত বঙন মেলা'ৰ ইংৰাজী অনুবাদ 'জয় ইন দ্যা জংঘল' আৰু 'বুবু বুলবুলিৰ ফুলনি'ৰ ইংৰাজী অনুবাদ 'বুবু-বুলবুলিজ গাৰ্ডেন'ৰ লগতে উক্ত গ্ৰন্থদুখন বিশ্বৰ ২৬ খন দেশৰ

## বিশিষ্ট বিজ্ঞান লিখক শান্তনু তামুলীলৈ জীৱনজোৰা সাধনা বঁটা



বিদ্যালয়ৰ পাঠ্যপুথিত সন্নিবিষ্ট কৰা বুলি উল্লেখ কৰি অসমৰ পটভূমিত লিখা গ্ৰন্থই বিশ্বৰ ২৬ খনকৈ দেশৰ বিদ্যালয়ৰ পাঠ্য পুথিত স্থান লাভ কৰাটো অসমৰ লগতে তেওঁৰ বাবেও অতি গৌৰৱৰ কথা বুলি মন্তব্য কৰে। উল্লেখ্য, বিজ্ঞান চ'ৰাৰ সক্ৰিয় সদস্য ৰমেন গগৈয়ে আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত৩ এক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বীৰেন গণেৰে আঁত ধৰা আৰু ডাঃ সিদ্ধাৰ্থ বন্দৰাই তেওঁৰ ভাতৃ গীতাথ বৰুৱাৰ নামত আগবঢ়োৱা এই প্ৰতিযোগিতা উদ্বোধন কৰে ৬ দেজৰত শৰ্মাই। ইয়ান পিছতে ডাঃ দিব্যজ্যোতি গুঁজাৰ দ্বাৰা পৰিচালিত শাংশুনু তামুলীৰ জীৱন ভিত্তিত এক তথ্য-চিত্ৰ প্ৰদৰ্শন কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে হেমেন শইকীয়াই। সম্বৰ্ধনা অনুষ্ঠানত প্ৰশক্তি পত্ৰ, জাপি ফুলাম গামোছা, স্মাৰক আদিৰে বিশিষ্ট সাহিত্যিকজনক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত প্ৰায় ৫০ ৰো অধিক সাহিত্য-সংস্কৃতি আৰু বিজ্ঞান সংগঠন, অনুষ্ঠান প্ৰতিষ্ঠানে তামুলীক বিপুলভাবে সম্বধনা জনায়।

২০ জুলাই, ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ত হোৱা জাতীয় বিজ্ঞান পুঁজিৰ সভাখনৰ কিছু আলোকচিত্ৰ।












**কেন্দ্ৰীয় কাৰ্যালয়ঃ** অসম বিজ্ঞান সমিতিত দুগৰাকী ছাত্ৰীয়ে জুলাই মাহৰ গৰম বন্ধৰ সময়খিনিত ইন্টাৰ্নশ্চিপ কৰি আছে। তেওঁলোক দুয়ো স্নাতক চতুৰ্থ ষান্মাসিকৰ ছাত্ৰী। এগৰাকী দৰং মহাবিদ্যালয়ৰ সমাজতত্ত্বৰ আৰু আন গৰাকী পাঞ্জাৱৰ লাভলী ইউনিভাৰচিটিৰ ডিজাইনিংৰ। সমাজতত্ত্বৰ ছাত্ৰী গৰাকীয়ে ২০২৩-২০২৫ বৰ্ষৰ ভিতৰত প্ৰকাশ হোৱা বিজ্ঞান জেউতিৰ সকলোকেইটা সংখ্যাৰ প্ৰকাশিত প্ৰবন্ধসমূহৰ অসমৰ সমাজত কিমান প্ৰয়োজনীয় তাৰ এক তাৰ এক পৰ্যালোচনা কৰি আছে। ডিজাইনিংৰ ছাত্ৰী গৰাকীয়ে সেই একেই প্ৰকাশিত সংখ্যাকেইটা লৈ প্ৰতিতো সংখ্যাৰ বেটুপাতে সেই সংখ্যাত থকা প্ৰৱন্ধবোৰক যথোচিত প্ৰতিফলন কৰিব পাৰিছেনে নাই তাৰ পৰ্যালোচনা কৰি আছে। দুয়োগৰাকী ছাত্ৰীয়ে অসম বিজ্ঞান সমিতিৰ কাৰ্যবাহী সভাপতি ভাগৱত প্ৰাণ দুৱৰাৰ পৰ্যবেক্ষণত তেওঁলোকৰ কাম আগুৱাই নিছে। এয়া আমাৰ ৰাষ্ট্ৰীয় নতুন শিক্ষানীতিৰ লগত অসম বিজ্ঞান সমিতিক সংপৃক্ত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীক বিজ্ঞান সমিতিলৈ আগ্ৰহ বঢ়োৱাৰ এক প্ৰয়াস।



## ঢকুৱাখনা শাখাৰ ইন্টাৰনছিপ কাৰ্যসূচীৰ আৰু খনচেৰেক ফটো।












# অসম বিজ্ঞান সমিতি বকো শাখাৰ দ্বিবাৰ্ষিক সাধাৰণ সভা

অসম বিজ্ঞান সমিতি বকো শাখাৰ দ্বিবাৰ্ষিক সাধাৰণ সভা বকো,২৫জুলাই: বিজ্ঞানমনস্কতাৰ ওপৰত সামাজিক দায়বদ্ধতাৰে কাম কৰি আহা অসম বিজ্ঞান সমিতিৰ বকো শাখাৰ দ্বিবাৰ্ষিক সাধাৰণ সভাখন ২১ জুলাইত পিএমশ্ৰী বকো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। কামৰূপ জিলা বকোত অনুষ্ঠিত সাধাৰণ সভাৰ কাৰ্যসূচীৰ বিষয়ে শাখাৰ সম্পাদক পৰিত্ৰ কৈবৰ্তই জনোৱা অনুসৰি শাখাৰ সভাপতি অৰবিন্দ চৌধুৰীৰ সভাপতিত্ব অনুষ্ঠিত সভাখনত সম্পাদকে প্ৰস্তুত কৰা বিগত কাৰ্যকালৰ প্ৰতিবেদন পাঠ কৰে অন্যতম সহকাৰী সম্পাদক নৱ কুমাৰ নাথে আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ গণিত বিভাগৰ সহযোগী অধ্যাপক ড. আলোক দাসে বহিঃহিচাপ পৰীক্ষক হিচাপে প্ৰস্তুত কৰা বিত্তীয়প্ৰতিবেদন পাঠ কৰে শাখাৰ অন্যতম আজীবন সদস্য অপূৰ্ব কুমাৰ ৰয়ে। ইয়াৰ পিছতে সভাত উপস্থিত থকা সদস্যবৃন্দৰ দিহা-পৰামৰ্শৰ পিছত সম্পাদকীয় প্ৰতিবেদন আৰু হিচাপ পৰীক্ষাৰ এ প্ৰতিবেদন গ্ৰহণ কৰা হয়। কাৰ্যসূচী অনুসৰি সভাপতিয়ে পুৰণি সমিতি ভংগ ঘোষণাৰ পিছত ধ্ৰুবজ্যোতি মেধিক সভাপতি আৰু নব কুমাৰ নাথক সম্পাদক হিচাপে লৈ ২০২৫-২৭ বৰ্ষৰ নতুন সমিতিখন গঠন কৰা হয়। সভাত প্ৰাক্তন কেন্দ্ৰীয় উপ-সভাপতি তথা উপদেষ্টা ড' অবনী কুমাৰ দাস, উপদেষ্টা গিৰীন্দ্ৰ কুমাৰ চৌধুৰী আৰু গৌৰাংগ ঠাকুৰীয়া, আজীবন সদস্য ক্ৰমে লক্ষীকান্ত শৰ্মা, সুবেন চন্দ্ৰ কলিতা, ড° বিজয়া ডেকা, পৰাগজ্যোতি শৰ্মা, দেবেন্দ্ৰ চন্দ্ৰ দাস, বকো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজেশ মহন্তকে প্ৰমুখ্যে সদস্য-সদস্যা উপস্থিত থাকি সহযোগিতা আগ বঢ়ায়। সভাতে বিজ্ঞান সমিতিয়ে অনাগত দিনত কৰিবলগীয়া কাৰ্যসূচীৰ ওপৰত আলোকপাত কৰে।









স্থাপিতঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০)ৰ অধীনত পঞ্জীভুক্ত

অসম বিজ্ঞান সমিতি
ASSAM SCIENCE SOCIETY
(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)
Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India
Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com

## অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ৪ আগষ্ট, ২০২৫

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ আজীৱন সদস্য, পিচলা শাখাৰ প্ৰাক্তন সভাপতি, **শ্ৰী দেৱানন্দ শৰ্মাৰ** যোৱা ২ আগষ্ট, ২০২৫ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে শ্ৰীশৰ্মাৰ বিয়োগত সমিতিৰ তথা সমগ্ৰ অসমৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। সমিতিৰ এজন সদস্য হিচাপে শ্ৰীশৰ্মাই আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**(ড০ অৰূপ কুমাৰ মিশ্ৰ)**
**সভাপতি**

**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)**
**প্ৰধান সচিব**

**অসম বিজ্ঞান সমিতি**

Recipient of NCSTC'S National Award 1990 for popularisation ofScience

স্থাপিত ঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীনত পঞ্জীভুক্ত

# অসম বিজ্ঞান সমিতি
# ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

নং-অবিস/প্ৰস/২০২৫-২৬/১৬১        তাৰিখঃ ০৯-০৮-২০২৫

প্ৰেৰকঃ

**শ্ৰী মৃণাল কুমাৰ হাজৰিকা**

**প্ৰধান সচিব, অসম বিজ্ঞান সমিতি**

প্ৰতি,

**সভাপতি/সম্পাদক**

**সমূহ শাখা, অসম বিজ্ঞান সমিতি**

**বিষয়ঃ** সমিতিৰ ৱেবে প'ৰ্টেলৰ সদস্যৰ ডিজিটেল প্ৰ-পত্ৰ পূৰণৰ সম্পৰ্কত।

মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব।

পত্ৰযোগে আপোনালোকক জনাওঁ যে, অসম বিজ্ঞান সমিতিৰ ৱেবে প'ৰ্টেলটোৰ কাম ইতিমধ্যে সমাপ্ত হৈছে। উক্ত ৱেবে প'ৰ্টেলত সমিতিৰ সমূহ সদস্যৰ তথ্য পূৰণৰ বাবে এখন ডিজিটেল সদস্যৰ তথ্য প্ৰ-পত্ৰ (Membership data form) প্ৰস্তুত কৰি উলিওৱা হৈছে।

অনুগ্ৰহ কৰি সমিতিৰ সমূহ শাখাৰ সদস্যবৃন্দক উক্ত প্ৰ-পত্ৰখন পূৰণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। প্ৰ-পত্ৰ খনৰ লিংক পত্ৰৰ লগতে সমিতিৰ দ্বাৰা পৰিচালিত সকলো হোৱাটচ আপ গ্ৰুপত প্ৰেৰণ কৰা হ'ব।

Membership data form: https://member.assamsciencesociety.in/


ইতি,


ধন্যবাদ সহকাৰে-

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব
অসম বিজ্ঞান সমিতি


# তথ্য প্ৰযুক্তি আৰু ৱেব-পৰ্টেল উপসমিতিৰ সভা

কেন্দ্ৰীয় কাৰ্যালয়ঃ ৯ আগষ্ট, ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ তথ্য প্ৰযুক্তি আৰু ৱেব-পৰ্টেল উপসমিতিৰ ভাৰ্চুৱেল মাধ্যমযোগে হোৱা সভাৰ কিছু মুহূৰ্ত।



**কেন্দ্ৰীয় কাৰ্যালয়ঃ ১০ আগষ্ট, ২০২৫ তাৰিখে অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ত হোৱা ৩য় সংখ্যক কাৰ্যনিৰ্বাহক কমিটিৰ সভাৰ কিছু আলোকচিত্ৰ।**


















স্থাপিতঃ ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০)ৰ অধীনত পঞ্জীভুক্ত

# অসম বিজ্ঞান সমিতি

# ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd. No. 49 of 1960-61)
Head Office: Jawaharnagar, Khanapara, Guwahati – 781022, Assam, India
Phone No.: +91 60013-99315, E-mail: gsass2014@gmail.com

নং-অবিস/প্ৰস/২০২৫-২৬/১৬৩ তাৰিখঃ ১১-০৮-২০২৫

প্ৰেৰকঃ

**শ্ৰী মৃণাল কুমাৰ হাজৰিকা**
**প্ৰধান সচিব, অসম বিজ্ঞান সমিতি**

প্ৰতি,

**সভাপতি/সম্পাদক**
**সমূহ শাখা, অসম বিজ্ঞান সমিতি**

**বিষয়ঃ** সমিতিৰ শাখাৰ সমূহৰ নাম সম্পৰ্কত।

মহাশয়/মহাশয়া,

নমস্কাৰ গ্ৰহণ কৰিব।

পত্ৰযোগে আপোনালোকক জনাওঁ যে, যোৱা ১০ আগষ্ট, ২০২৫ তাৰিখে হৈ যোৱা কাৰ্যনিৰ্বাহক কমিটিৰ সভাৰ (৩য়) সিদ্ধান্ত অনুসৰি সমিতিৰ যি সমূহ শাখাৰ নাম ঠাইৰ নামত দিয়া আছে (যেনেঃ **ঠাইৰ নাম বিজ্ঞান সমিতি শাখা**)। সেই শাখাসমূহৰ নামৰ নিম্নোক্ত ধৰণে নামাকৰণ কৰিবলৈ জনোৱা হ'ল- **অসম বিজ্ঞান সমিতি,..............(শাখাৰ নামটো) শাখা**। (যেনেঃ অসম বিজ্ঞান সমিতি, গুৱাহাটী শাখা)

সেয়েহে উপৰোক্ত বিষয় সম্পৰ্কত যি সমূহ শাখাৰ ক্ষেত্ৰত প্ৰযোজ্য হয়, সেই সমূহক নিৰ্দেশনাটি পালন কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

ইতি,
ধন্যবাদ সহকাৰে-


**(শ্ৰী মৃণাল কুমাৰ হাজৰিকা**
প্ৰধান সচিব
অসম বিজ্ঞান সমিতি

# পৰিৱেশ উপসমিতিৰ সভা

কেন্দ্ৰীয় কাৰ্যালয়ঃ ১২ আগষ্ট, ২০২৫ তাৰিখে পৰিৱেশ উপসমিতিৰ এখনি সভা ভাৰ্চুৱেল মাধ্যমত বৰ সফলতাৰে সম্পন্ন হৈ যায়। সভাত যথেষ্ট নতুন চিন্তাৰ উন্মেষ ঘটে আৰু ভৱিষ্যত পৰিকল্পনাৰ বিভিন্ন প্ৰস্তাৱ গ্ৰহণ কৰা হয়।








# বিজ্ঞান জেউতি বিতৰণ

ডিব্ৰুগড় শাখাঃ ১৪ আগষ্ট, ২০২৫ তাৰিখে ড০ পৰমানন্দ মহন্ত চাৰৰ উদ্যোগত আৰু ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সহযোগত মানকটা উচ্চ মাধ্যমিক বিদ্যালয়, ৰামেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰবৰুৱা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, টানটিয়া উচ্চ মাধ্যমিক বিদ্যালয়, বৰপথাৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, বৰ পথাৰ বালক উচ্চ মাধ্যমিক বিদ্যালয়, আমলাপটি বালিকা উচ্চ মাধ্যমিক বিদ্যালয় আৰু আমলাপটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান জেউতি আলোচনীখন বিতৰণ কৰা হয়।

বকুল, লাহোৱাল, চাউলখোৱা, পাব্লিক আৰু ৰেলৱে বৰবাৰী হাইস্কুলত অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাৰ উদ্যোগত আৰু ড০ পৰামা মহন্ত চাৰৰ সহযোগত বিজ্ঞান জেউতি বিতৰণ কৰা হয়।














কেন্দ্ৰীয় কাৰ্যালয়ঃ অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যালয়ত স্বাধীনতা দিৱস পালন কৰা হয়।




## ডিমৌ শাখা

**অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ**

গুৱাহাটী, ১৬ আগষ্ট, ২০২৫

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ আজীৱন সদস্য, ডিমৌ শাখাৰ প্ৰাক্তন সম্পাদক, প্ৰাক্তন ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য আৰু ডিমৌ পালেঙী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক **জীৱকান্ত গগৈৰ** যোৱা ১৩ আগষ্ট, ২০২৫ তাৰিখে অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত হোৱা বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে গগৈ দেৱৰ বিয়োগত সমিতিৰ তথা সমগ্ৰ অসমৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। সমিতিৰ এজন সদস্য হিচাপে গগৈ দেৱে আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ডঃ অৰূপ কুমাৰ মিশ্ৰ)
সভাপতি

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব

অসম বিজ্ঞান সমিতি

# 69th Annual Technical Session of Assam Science Society cum National Seminar-2025

On

## SCIENCE AND TECHNOLOGY FOR SUSTAINABLE DEVELOPMENT

*Organised By –*

Assam Science Society Biswanath Chariali Branch

in Collaboration with IQAC, Biswanath College



বিশ্বনাথত ৰাষ্ট্ৰীয় আলোচনাচক্ৰ সম্পন্ন---অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান ক্ৰমে অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ আতিথ্যত তথা বিশ্বনাথ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত ২২ আগষ্টত এদিনীয়া কাৰ্যসূচীৰে বিশ্বনাথ মহাবিদ্যালয়ত 'বহনক্ষম উন্নয়নত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা (Science and Technology for Sustainable Development)শীৰ্ষক বিষয়ৰ ওপৰত অসম বিজ্ঞান সমিতিৰ ৬৯ সংখ্যক কাৰিকৰী সত্ৰ তথা ৰাষ্ট্ৰীয় আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। অসম বিজ্ঞান সমিতি , বিশ্বনাথ চাৰিআলি শাখাৰ আজীৱন সদস্য বিজয় গোস্বামীয়ে বস্তি প্ৰজ্বলন কৰা উদ্বোধনী সভাত 'মানুহ আমি বিজ্ঞানৰ' শীৰ্ষক সমবেত সংগীত পৰিবেশন কৰে জ্যোতিস্মান বৰাৰ দলে। অসম বিজ্ঞান সমিতিৰ সভাপতি ড. অৰুপ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাত কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা আৰু অসম বিজ্ঞান সমিতিৰ প্ৰধান সচিব মৃণাল কুমাৰ হাজৰিকা আমন্ত্ৰিত অতিথি আৰু বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ৰাষ্ট্ৰীয় আলোচনা চক্ৰ উদযাপন সমিতিৰ মুখ্য পৃষ্ঠপোষক ড. চিন্তামণি শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰাৰ

লগতে অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ সভাপতি প্ৰদীপ কুমাৰ মহন্তই কাৰিকৰী সত্ৰৰ বিষয়ে বিশদভাবে অবগত কৰে। উদ্বোধনী সভাতে বিশিষ্ট বিজ্ঞান লেখক ক্ষীৰধৰ বৰুৱাক ৬৬ সংখ্যক কাৰিকৰী সত্ৰ আৰু ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ সাংগঠনিক সমিতিৰ তৰফৰ পৰা 'বিজ্ঞান জনপ্ৰিয়কৰণৰ জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰা হয়। মুখ্য অতিথি বিধায়ক বৰঠাকুৰে মানৱ জীৱনত বিজ্ঞানৰ প্ৰভাব সম্পৰ্কে বক্তব্য আগবঢ়ায়। অসম বিজ্ঞান সমিতিৰ প্ৰধান সচিব মৃণাল কুমাৰ হাজৰিকাই অসম বিজ্ঞান সমিতিয়ে বিগত বৰ্ষবোৰত জনহিতাৰ্থে কৰা কামৰ লগতে বিজ্ঞান বিষয় অধ্যয়নৰ প্ৰতি আজিৰ প্ৰজন্মৰ মাজত বাঢ়ি অহা অনিহাৰ ওপৰত গুৰুত্বপূৰ্ণ বক্তব্য ৰাখে। এই সভাতে ড. ৰত্ন কিংকৰ গোস্বামীৰ তত্ত্বাবধানত প্ৰস্তুত কৰি উলিওৱা 'স্মৰণিকা আৰু সাৰাংশ গ্ৰন্থ' উন্মোচন কৰা হয়। সভাপতিৰ আসনৰ পৰা ড. অৰুপ কুমাৰ মিশ্ৰই অসমৰ শিশুসকলক ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়াত বিজ্ঞানৰ যি ভূমিকা তাক সঠিক দিশত প্ৰয়োগৰ বাবে বিজ্ঞানকৰ্মীসকলক নিৰ্ণায়কৰ দায়িত্ব সুকলমে পালন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ বিজ্ঞান জনপ্ৰিয়কৰণৰ বাবে মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলকআগুৱাই অহাৰ বাবে আহ্বান জনায়। উক্ত সভাতে অসম বিজ্ঞান সমিতিৰ ৰাজ্যৰ বিভিন্ন শাখাৰ পৰা অহা বিষয়ববীয়া সকলক চিনাকি আৰু সম্বৰ্ধনা জনোৱাৰ লগতে, কাৰিকৰী সত্ৰত সঞ্চালকৰ আসন গ্ৰহণ কৰা বিশেষজ্ঞ সকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ সম্পাদক ডা সঞ্জীৱ উপাধ্যায়ে প্ৰদান কৰা শলাগৰ শৰাইৰে উদ্বোধনী সভাৰ সামৰণি পৰাৰ লগে লগে ড° প্ৰশান্ত নেওঁগ, ৰিপুঞ্জয় বৰদলৈ আৰু ড° দেবাশিষ শৰ্মাৰ তত্ত্বাৱধানত পূৰ্ণাঙ্গ অধিবেশন শুভাৰম্ভ কৰা হয়। পূৰ্ণাঙ্গ অধিবেশনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ চন্দ্ৰ ডেকা আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ











ড° দেবেন্দ্ৰ চন্দ্ৰ বৰুবাই। ড° দেবেন্দ্ৰ চন্দ্ৰ বৰবাই এনাৰ্জি ৰ'ডমেপ অব আসাম শীৰ্ষক বক্তৃতাত ইন্ধনৰ নাটনি বৰ্তমান সময়ত অসমৰ লগেত বিশ্বৰ আৰ্থসামজিক, ৰাজনৈতিক দিশত ইয়াৰ প্ৰভাবৰ ওপৰত বিশদভাবে সকলোৰে মনোগ্ৰাহী হোৱাকৈ বক্তব্য ৰাখে। লগতে উপাচাৰ্য ৰমেশ চন্দ্ৰ ডেকাই, 'Design of Catalysts for Advancing Clean Technology and Sustainable Development' শীৰ্ষক বিষয়ৰ ওপৰত দিয়া সাৰুৱা বক্তব্যত উপস্থিত সকলোৱে সক্ৰিয়তাৰে অংশগ্ৰহণ কৰা দেখা যায়। ৬৯ সংখ্যক কাৰিকৰী সত্ৰত ৫টা কোঠাত সমান্তৰালভাবে ১০৪টা প্ৰকল্প উপস্থাপন কৰা হয়, ইয়াৰে ১৫টা প্ৰকল্প অনলাইন মাধ্যমৰ জৰিয়তে উপস্থাপন কৰে। এই প্ৰকল্প সমূহ, অসমৰ বিভিন্ন উচ্চ শিক্ষানুষ্ঠানৰ পৰা অহাৰ উপৰিও কৰ্ণাটক, চেন্নাই, নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মেঘালয়ৰ দৰে ৰাজ্যৰ পৰাও উপস্থাপন কৰা দেখা যায়। বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ সহযোগী দীক্ষাগুৰু ড° ৰণেন্দ্ৰ নাথ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সামৰণি সভাত বিশিষ্ট অতিথি হিচাপে অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় সমিতিৰ হৈ উপস্থিত থাকে সভাপতি ড° অৰূপ কুমাৰ মিশ্ৰ, ড° ভগৰত প্ৰাণ দুৱৰা, ৰমেন গগৈ, নিৰোদ কুমাৰ বৰা, জাকিৰ হুছেইন, ড° বিজয় শংকৰ গোস্বামী, বিশ্বনাথ মহাবিদ্যালয় অধ্যক্ষ ড° চিন্তামণি শৰ্মা, জ্যেষ্ঠ অধ্যাপক নৰেশ ঠাকুৰ আৰু অসম বিজ্ঞান সমিতিৰ বিশ্বনাথ শাখাৰ সভাপতি ড° প্ৰদীপ কুমাৰ মহন্ত। ড° অৰূপ কুমাৰ মিশ্ৰ আৰু ড° ভগবত প্ৰাণ দুৱৰাই অসম বিজ্ঞান সমিতিৰ ভৱিষ্যত পৰিকল্পনা আৰু ৬৯ সংখ্যক কাৰিকৰী সত্ৰৰ সফল সামৰণিত অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাক শলাগ জ্ঞাপন কৰে। অসম বিজ্ঞান সমিতি বিশ্বনাথ চাৰিআলি শাখাৰ সম্পাদক ড° সঞ্জীৱ উপাধ্যায়ে কাৰিকৰী সত্ৰত উপস্থাপন হোৱা ১০৪টা প্ৰকল্পৰ ভিতৰত বিভিন্ন বিষয়ৰ শ্ৰেষ্ঠ প্ৰকল্প হোৱা তেজপুৰ বিশ্ববিদ্যালয় বিপ্লব চৰকাৰ, পূব কামৰূপ














# 69th Annual Technical Session

মহাবিদ্যালয়ৰ ড° সমৰজিৎ শৰ্মা, বিশ্বনাথ মহাবিদ্যালয়ৰ ৰূপা পেগু আৰু জিন্টীমনি দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কংকনা ঠাকুৰ, অসম কৃষি বিশ্ববিদ্যালয়ৰ বাৰী বৰুৱা, বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ মন্দিৰা দত্ত, ডা ভাস্কৰজ্যোতি শৰ্মা, প্ৰণয় মহন্ত, ড° বৰ্ণালী শৰ্মাৰ নাম ঘোষণা কৰাৰ লগতে সকলোকে সভাত বঁটা প্ৰদান কৰা হয়। কাৰিকৰী সত্ৰত সঞ্চালকৰ আসন শুৱনি কৰিছিল তেজপুৰ বিশ্ববিদ্যালয়ৰ ড° ভীম প্ৰসাদ শৰ্মা, ভাৰতীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উচ্চ অধ্যয়ন অনুষ্ঠানৰ ডা বিশ্বজিৎ চৌধুৰী, অসম কৃষি বিশ্ব বিদ্যালয়ৰ ড° অনন্ত মাধব বৰুৱা আৰু ড° ৰঞ্জন দাস, ৰাজীব গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ড° 'হুই টেগ, বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ ড° পল্লব কুমাৰ শৰ্মা, তেজপুৰ বিশ্ববিদ্যালয়ৰ ড° নিৰ্মালী গগৈ, ভেল্লুৰৰ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ দীক্ষাগুৰু ড° চি ৰাজাশ্বেখৰণ, অসম কৃষি বিশ্ব বিদ্যালয় শিলং কেন্দ্ৰৰ বিজ্ঞানী ড° অৰূপ শৰ্মাই। সামৰণি সভাৰ সভাপতি ড° ৰণেন্দ্ৰ নাথ বৰ্মনে বিজ্ঞান জেউতি আলোচনীয়ে তেওঁৰ কৈশোৰ মনত পেলোৱা প্ৰভাব আৰু বৰ্তমান সময়ত বিজ্ঞান সমিতিৰ সামাজিক গুৰুত্বৰ ওপৰত সুন্দৰ ব্যাখ্যামূলক বক্তব্যই সকলোকে মোহিত কৰে। বিশিষ্ট বিজ্ঞান কৰ্মী ৰিপুঞ্জয় বৰদলৈয়ে ৬৯ সংখ্যক কাৰিকৰী সত্ৰ আৰু ৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ সফল সামৰণিৰ শলাগৰ শৰাইত অসম প্ৰদূষণ নিয়ন্ত্ৰণ বিভাগ, অইল ইণ্ডিয়া লিমিটেড, স্থানীয় বিধায়ক, আছ, আগছ, বিশ্বনাথ মহাবিদ্যালয় আৰু বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ। লগতে আয়োজক সমিতিৰ সকলো কৰ্মকৰ্তাক শলাগ জ্ঞাপন কৰে।
















# Puzzle Workshop

Moran Branch: Puzzle Workshop Organised by Assam Science Society Moran Branch at Kochumai High School.
















# Observation of National Space Day by Rupai Siding Branch at Doomdooma College, Tinsukia.




২৩ আগস্ট: ডুমডুমা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰে। ডুমডুমা মহাবিদ্যালয়ৰ উদ্যোগত, আভ্যন্তৰীন মান নিশ্চিত কৰণ কোষ আৰু অসম বিজ্ঞান সমিতি, ৰূপাই চাইডিং শাখাৰ সহযোগত ডুমডুমা মহাবিদ্যালয়ৰ সভাকক্ষত এই অনুষ্ঠানটি অনুষ্ঠিত কৰে। আদৰণি ভাষণ প্ৰদান কৰে পদাৰ্থ বিজ্ঞান বিভাগৰ বিভাগীয় প্ৰধান তথা অসম বিজ্ঞান সমিতি, ৰূপাই চাইডিং শাখাৰ সম্পাদক ৰাতুল গগৈয়ে। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড কমলেশ্বৰ কলিতাই এই দিবসৰ তাৎপৰ্য, ইছৰ', নাছাৰ বৰ্ণনা কৰি এক সাবলীল বক্তব্য প্ৰদান কৰে। লগতে তেখেত ডেবাড়া স্থিত ISR লগত জড়িত হোৱাৰ কথাও ব্যক্ত কৰে। অনুষ্ঠানটোত অংশগ্ৰহণ কৰা ছাত্ৰ ছাত্ৰী সকলৰ মহাকাশ বিজ্ঞানব প্ৰতি আগ্ৰহ বৃদ্ধিৰ বাবে এটি টোকা প্ৰস্তুত কৰি বিভাগত জমা দিবলৈ কয়। শ্ৰেষ্ঠ টোকা প্ৰস্তুত কৰিব পৰা সকলক পুবষ্কৃত কৰা হ'ব বুলি অধ্যক্ষই ঘোষণা কৰে। আভ্যন্তৰীন মান নিশ্চিত কৰণ কোষৰ সমন্বয়ক দীপক ৰঞ্জন বৰুবাই বক্তব্যত উল্লেখকৰে যে বিজ্ঞান শাখাৰ ছাত্ৰ ছাত্ৰী সকলে অনুষ্ঠানটোৰ পৰা যথেষ্ট উপকৃত হ'ব পাৰিব। সমল ব্যক্তি হিচাপে বক্তব্য প্ৰদান কৰে তিনিচুকীয়া জিলাৰ আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলা সমন্বয়ক দিগন্ত কুমাৰ ভাজনীয়ে । ভাজনীয়ে বৰ্তমান ভাৰতৰ মহাকাশ বিজ্ঞানৰ গবেষণা, উদ্ভাবন আৰু কৃত্ৰিম উপগ্ৰহ প্ৰযুক্তিৰ বিকাশ আদিকে কৰি অন্যান্য দিশ আলোকপাত কবি শ্লাইড প্ৰদৰ্শনৰ সহায়ত এক মননশীল আৰু তথ্যভিত্তিক বক্তৃতা প্ৰদান কৰে। শতাধিক ছাত্ৰ ছাত্ৰীয়ে







অংশগ্ৰহণ কৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ বিভাগীয় প্ৰধান গীতি ৰেখা দত্ত মহন্ত, ৰসায়ন বিভাগৰ বিভাগীয় প্ৰধান ৰাকেশ শুক্লা, কেহকেচান পাৰবিন, কম্পিউটাৰ বিজ্ঞানৰ ৰাজদ্বীপ ভট্টাচাৰ্য,

পাৰবিন, কম্পিউটাৰ বিজ্ঞানৰ ৰাজদ্বীপ ভট্টাচাৰ্য, জামিন হুছেইন, শতাব্দী দত্তকে প্ৰমুখা কৰি বহুকেইগৰাকী অধ্যাপক-অধ্যাপিকা উপস্থিত থাকে। প্ৰদীপ নেবাবে আঁত ধৰা অনুষ্ঠানটোৰ শলাগৰ শৰাই আগবঢ়াই ড দীপিকা ৰাজপুতে।




## তিতাবৰ শাখা

# তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদ্‌যাপন



**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ২৪ আগষ্ট ঃ** তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ উদ্যোগত যোৱা ২৩ আগষ্টত মহাবিদ্যালয়খনত দ্বিতীয় ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদ্‌যাপন কৰা হয়। ভাৰতৰ চন্দ্ৰযান-৩ অভিযানৰ বিক্ৰম লেণ্ডাৰৰ সফল অৱতৰণ আৰু ২০২৩ চনৰ ২৩ আগষ্টত চন্দ্ৰত প্ৰজ্ঞান ৰভাৰ সফলতাৰে কঢ়িয়াই নিয়া আৰু চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰা দেশ ভাৰতবৰ্ষ চতুৰ্থখন ৰাষ্ট্ৰ আৰু দক্ষিণ মেৰুৰ কাষ চপা প্ৰথমখন ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাৰ স্মৃতি সোঁৱৰণ কৰি উদ্‌যাপন কৰা এই বৰ্ষৰ মহাকাশ দিৱসৰ 'আৰ্যভট্টৰ পৰা গগণযানলৈ ঃ প্ৰাচীন প্ৰজ্ঞাৰ পৰা অসীম সম্ভাবনালৈ' শীৰ্ষক বিষয় লৈ আয়োজন কৰা অনুষ্ঠানত মহাবিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক, গৱেষক তথা বিশিষ্ট শিক্ষাবিদ ড° বুদ্ধীন্দ্ৰ নাথ শইকীয়াই নিৰ্দিষ্ট বক্তাৰূপে ভাষণ প্ৰদান কৰাৰ লগতে পদাৰ্থ বিজ্ঞান সমিতিয়ে প্ৰকাশ কৰা প্ৰাচীৰ পত্ৰিকা 'অনুকলন' উন্মোচন কৰে। মহাবিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° প্ৰাৰ্থনা বৰাই আঁত ধৰা আৰু মহাবিদ্যালয়খনৰ শৈক্ষিক উপাধ্যক্ষ ড° ৰাজনীশ শইকীয়া, পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক স্বাগতম দেব নাথ, অধ্যাপিকা ড° কাশ্মিৰী বৰুৱা, ড° মণিষা চেতিয়া আদি অধ্যাপক-অধ্যাপিকাসকল আৰু বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ উপৰিও সাংবাদিক প্ৰসেনজিৎ ৰাজখোৱা আদিয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানত মহাবিদ্যালয়খনৰ পদাৰ্থ বিজ্ঞান বিভাগৰ পঞ্চম ষাণ্মাসিকৰ শিক্ষাৰ্থী ক্ৰমে প্ৰীতি প্ৰিয়মী ৰাজখোৱা, বেদান্ত হাজৰিকা, ববিত গগৈয়ে নিজাকৈ প্ৰস্তুত কৰা প্ৰকল্প উপস্থাপন কৰি উপস্থিত সকলোকে মুগ্ধ কৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা পোষ্টাৰ প্ৰতিযোগিতাত স্থান অধিকাৰ কৰা শিক্ষাৰ্থীসকলক বঁটা প্ৰদান কৰে।

স্থাপিত : ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীনত পঞ্জীকৃত

# অসম বিজ্ঞান সমিতি
# ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

## অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ২৮ আগষ্ট, ২০২৫

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ দেৰগাঁও শাখাৰ আজীৱন সদস্য তথা অৱসৰপ্ৰাপ্ত শিক্ষক **অজিত ঠাকুৰৰ** আজি ২৮ আগষ্ট, ২০২৫ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে ঠাকুৰ দেৱৰ বিয়োগত সমিতিৰ তথা সমগ্ৰ অসমৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। সমিতিৰ এজন সদস্য হিচাপে ঠাকুৰ দেৱে আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ডঃ অৰূপ কুমাৰ মিশ্ৰ)
সভাপতি

(শ্ৰী মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব

অসম বিজ্ঞান সমিতি




# বিজ্ঞান জেউতিৰ হীৰক জয়ন্তী বৰ্ষ (২০২৫-২৬) উদযাপন

অসম বিজ্ঞান সমিতিৰ 'বিজ্ঞানজেউতি' বিষয়ক অনুষ্ঠান'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ২৯ আগষ্ট: গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত বৃহস্পতিবাৰে অসম বিজ্ঞান সমিতিৰ বিজ্ঞান আলোচনী 'বিজ্ঞান জেউতি'ৰ হীৰক জয়ন্তী বৰ্ষ উদ্যাপনৰ কেন্দ্ৰীয় উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আৰম্ভণিতে অসম বিজ্ঞান সমিতিৰ সভাপতি ড° অৰূপ কুমাৰ মিশ্ৰ প্ৰমুখ্যে উপস্থিত বিশিষ্ট ব্যক্তিসকলে বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে সমিতিৰ প্ৰধান সচিব মৃণাল কুমাৰ হাজৰিকাই। ড' অৰূপ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত মূল অনুষ্ঠানত বিজ্ঞান জনপ্ৰিয়কৰণৰ ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত প্ৰখ্যাত বিজ্ঞান-লেখক তথা বিজ্ঞানী ড° দীনেশ চন্দ্ৰ গোস্বামী আৰু কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° ৰমেশ চন্দ্ৰ ডেকাই আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি মনোজ্ঞ ভাষণ আগবঢ়ায়। 'বিজ্ঞান জেউতি'ৰ লগত প্ৰায় জন্মকালৰে পৰা জড়িত ড° গোস্বামীয়ে 'বিজ্ঞান জেউতি'ক কিদৰে আগবঢ়াই নিব পৰা যায়, তাৰ পৰামৰ্শ আগবঢ়ায় আৰু উপযুক্ত কল্পকাহিনী আৰু





# বিজ্ঞান জেউতিৰ হীৰক জয়ন্তী বৰ্ষ (২০২৫-২৬) উদযাপন

বিজ্ঞান কবিতা প্ৰকাশ কৰাত গুৰুত্ব আৰোপ কৰে। ড° ৰমেশ চন্দ্ৰ ডেকাই অসম বিজ্ঞান সমিতি আৰু বিজ্ঞান জেউতিক সহায় কৰাৰ আশ্বাস দি এই বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল আৰু বিভিন্ন বিভাগৰ বাবে নিয়মীয়াভাবে বিজ্ঞান জেউতি ক্ৰয় কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড° জয়দীপ বৰুৱা, বিজ্ঞান জেউতিৰ প্ৰাক্তন সম্পাদক অৰ্পণ দত্ত আৰু মৌচম হাজৰিকা, বৰ্তমানৰ সম্পাদক অভিজিত শৰ্মা বৰুৱা আদিয়েও চমু ভাষণ আগবঢ়ায়। সভাপতিৰ ভাষণত ড° অৰূপ কুমাৰ মিশ্ৰই নৱপ্ৰজন্মক অসম বিজ্ঞান সমিতি আৰু বিজ্ঞান জেউতিৰ লগত নিবিড় সম্পৰ্ক ৰখাৰ আহবান জনাই কয় যে-ভবিষ্যতে এই ছাত্ৰ-ছাত্ৰীসকলেই অসম বিজ্ঞান সমিতিৰ গুৰি ধৰি অসমৰ বিজ্ঞান জগতক আগবঢ়াই নিব লাগিব। সভাৰ শেষত মৃণাল কুমাৰ হাজৰিকাই সকলোৰে প্ৰতি কৃতজ্ঞতা জনাই কয় যে এই অনুষ্ঠান হ'ল অসম বিজ্ঞান সমিতিয়ে উদ্যাপন কৰিব খোজা 'বিজ্ঞান জেউতিৰ হীৰক জয়ন্তীৰ আৰম্ভণিহে মাত্ৰ। এই উপলক্ষ্যে অসমৰ সকলো শাখা আৰু কিছু নিৰ্বাচিত স্থানত পৰৱৰ্তী অনুষ্ঠানসমূহ অনুষ্ঠিত হ'ব।
























# বিজ্ঞান জেউতিৰ  হীৰক জয়ন্তী বৰ্ষ (২০২৫-২৬) উদযাপন





# শৈক্ষিক কৰ্মশালা

মধ্য ছয়দুৱাৰ শাখাঃ গহপুৰস্থিত উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান ছয়দুৱাৰ মহাবিদ্যালয়ৰ Biotech Hub ৰ উদ্যোগত আৰু অসম বিজ্ঞান সমিতিৰ মধ্য ছয়দুৱাৰ শাখাৰ সহযোগত ৫ দিনীয়া Biotechnology for Juniors শীৰ্ষক এখন শৈক্ষিক কৰ্মশালা সফলতাৰে সম্পন্ন হয়। ২৫-২৯ আগষ্ট তাৰিখলৈ অনুষ্ঠিত হোৱা কৰ্মশালাখনত ৮ খন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ সকলৰ লগতে তত্বাবধায়ক শিক্ষক সকলে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ লগতে অসম বিজ্ঞান সমিতিৰ প্ৰধান সচিব শ্ৰী মৃনাল কুমাৰ হাজৰিকা, অসম বিজ্ঞান সমিতিৰ পৰিৱেশ উপসমিতিৰ আহ্বায়ক পৰিৱেশ মিত্ৰ শ্ৰী দেৱজিৎ ফুকন আৰু যুটীয়া সম্পাদক শ্ৰী নীলমণি শৰ্মাই সমল ব্যক্তি হিচাপে কৰ্মশালাখনত অংশগ্ৰহণ কৰে। অনুষ্ঠনটোৰ মূখ্য আয়োজক ছয়দুৱাৰ মহাবিদ্যালয়ৰ Biotech Hub লৈ আৰু কৰ্মশালাটোত অংশগ্ৰহণ কৰা প্ৰতিখন বিদ্যালয়লৈ একোখনকৈ "বিজ্ঞান জেউতি" আগবঢ়োৱাৰ লগতে অসম বিজ্ঞান সমিতিৰ সদস্য হোৱাৰ আহ্বান জনোৱা হয়।











# শাখাৰ চিঠি/ *গঠন মূলক পৰামৰ্শ প্ৰেৰণ*

**ধনশিৰি শাখাঃ** ১৯৯৫ চনৰে পৰা বিজ্ঞান জেউতি ৰ টোপোলাটো ডাক ঘৰৰ কৰ্মচাৰীয়ে দি থৈ যোৱাৰ পাছতে সন্ধিয়া চাইকেল লৈ যিমান পাৰো ঘৰে ঘৰে গৈ বিলাই আহোগৈ। পিছদিনা বাকী থকা দূৰণীৰ শিক্ষক কেইজনৰ কপি কেইটা এড্ৰেছ কৰি পুৰা ছাত্ৰ-ছাত্ৰীৰ হাতত বা দূৰণীৰ শিক্ষকৰ কপি বাছত দিয়াৰ ব্যৱস্থা কৰিছিলো। ফোনৰ ব্যৱস্থা নথকাৰ বাবে সেই সময়ত সমিতিৰ মিটিং অন্যান্য অনুষ্ঠান বিলাক অনুষ্ঠিত কৰিবলৈ চাইকেল চলাই দিনে ৰাতিয়ে কাম কৰিছিলো। অৱশ্যে মহকুমা প্ৰশাসনে সকলো ক্ষেত্ৰতে সহায় কৰিছিল। তেতিয়া প্ৰশাসনিক  প্ৰায় বিলাক বিষয়াই এই ক্ষেত্ৰত আগ্ৰহী আছিল। আমাৰ উদ্দেশ্য আছিল পিছপৰা অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী সকল বিজ্ঞান শিক্ষাৰে শিক্ষিত হওঁক। বিজ্ঞানৰ দিশত আগবাঢ়ি জাওক। আনহাতে পৰিৱেশ প্ৰদূষণ আৰু প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাৰ বাবেও বহুখিনি কাম কৰা হৈছিল। বিজ্ঞান জেউতীৰ প্ৰতিটো পৃষ্ঠা মনোযোগেৰে পঢ়িছিলো। বিজ্ঞান জেউতিৰ দীৰ্ঘায়ু কামনা কৰিলো। বৰ্তমান সমিতিৰ কাম কাজত আমি অতি সন্তোষ্ট। ধন্যবাদেৰে

শ্ৰী দিপক হাজৰিকা।
সম্পাদক, ধনশিৰি শাখা।

সম্পাদক (WhatsApp), 9435164400

***আশা কৰোঁ এই শিতানত আপোনাসৱৰ পৰা সহাঁৰি পাম আৰু পিছৰ সংখ্যাৰ পৰা আমি পূৰণ কৰিব পাৰিম।***

# আপুৰুগীয়া আলোকচিত্ৰ

ISRO scientist ড° জিতেন্দ্ৰ নাথ গোস্বামী, সঞ্চালক, ফিজিকেল ৰিচাৰ্চ লেবৰটৰী, আহমদাবাদ। আৰু ড. অনিল কুমাৰ গোস্বামী অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি আৰু এজাক মৰিগাঁওৰ তৰুণ - - **২০১৫** : অসম বিজ্ঞান সমিতিৰ ৫০ সংখ্যক মৰিগাওঁ অধিবেশন







*আশা কৰোঁ এই শিতানত আপোনাসৱৰ পৰা সহাঁৰি পাম*

# ২০১৫ : অসম বিজ্ঞান সমিতিৰ ৫০ সংখ্যক মৰিগাওঁ অধিবেশন






For old Volume and Issue Scan URL QR Code

- iPhone: Built-in camera app (just point camera at a QR code to test)
- Android: Use QR & Barcode Scanner or similar apps

"বিজ্ঞান বাৰ্তা" ৰ পূৰণা সংখ্যাবোৰ পাবলৈ স্কেন কৰক (Google Lens ৰ দ্বাৰা)

"বিজ্ঞান জেউতি" ৰ পূৰণা সংখ্যাবোৰ পাবলৈ স্কেন কৰক (Google Lens ৰ দ্বাৰা)

# জাতীয় বিজ্ঞান পুঁজি

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

অসম বিজ্ঞান সমিতিৰ 54 সংখ্যক দুলীয়াজানৰ অধিবেশনত সমিতি আৰ্থিক ভাৱে স্বাৱলম্বী হোৱাৰ বাবে "জাতীয় বিজ্ঞান পুঁজি" নামেৰে এটি পুঁজি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল । তাৰেই ভিত্তিত কাৰ্যনিৰ্বাহক সমিতিয়ে সমিতিৰ কাৰ্যকৰী সভাপতিক(কুটুবুদ্দিন আহমেদ) সভাপতি আৰু প্ৰদীপ নেওঁগ আৰু অবনী দাসক আহ্বায়ক ৰূপে নিৰ্বাচিত কৰি এখন সমিতি গঠন কৰে ।সমিতি খনৰ তৎপৰতাত ওপৰত উল্লেখ কৰা ধৰণে এটি একাউণ্ট খোলা হৈছে ।
গতিকে ইচ্ছুক সদস্য ক বৰঙণি আগবঢ়াবলৈ অনুৰোধ জনালোঁ ।উল্লেখযোগ্য যে এই পূজিত আগবঢ়োঁৱা ধন আয়কৰ মুক্ত হব ।

আশাকৰোঁ সমিতিৰ সন্মানীয় সদস্য সকলে সহযোগিতা আগবঢ়াব ।

ধন্যবাদেৰে
মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব
অ বি স

# Jatiya Bigyan Punji

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

In the 54th Duliajan session of the Assam Science Society, a proposal was adopted to set up a fund called **"Jatiya Bigyan Punji "** to make the Society financially self-reliant. On the basis of this, the Executive Committee formed a committee by electing the executive president of the committee (Kutubuddin Ahmed) as the president and Pradeep Neog and Abani Das as the convener. An account has been opened as mentioned above in the promptness of the committee.
So I request the interested members to contribute. It is worth mentioning that the money offered in this Fund will be free from income tax.

I hope the honourable members of the committee will cooperate.

With thanks
Mrinal Kumar Hazarika
General Secretary
Assam Science Society

# ASSAM SCIENCE SOCIETY

# বিজ্ঞান বাৰ্তা

2025

# BIGYAN BARTA

- কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি

Vol-2 | Issue-4 | July – August-25 | a Bimonthly newsletter